চান্দমামা

নভেমবাৰ ১৯৮৭



No share prices,
no political fortunes, yet...

Over 40% of Heritage readers are professionals or executives, 61% from households with a professional / executive as the chief wage earner. Half hold a postgraduate degree or a professional diploma.

– from an IMRB survey conducted in Oct. 1986

It's an unusual magazine. It has a vision for today and tomorrow.

It features ancient cities and contemporary fiction, culture and scientific developments, instead of filmstar interviews and political gossip. And it has found a growing readership, an IMRB survey reveals. Professionals, executives and their families are reading The Heritage in depth – 40% from cover to cover, 42% more than half the magazine.

More than 80% of The Heritage readers are reading an issue more than once.

And over 90% are slowly building their own Heritage collection.

Isn't it time you discovered why?

THE HERITAGE

CMP-2155

So much in store, month after month.



ফেৰেক্স® খাই দোপত দোপে বাঢ়ি মোৱাৰ সোৱাদভৰা উপায় !

আপোনাৰ সন্তানৰ উচ্চতা আৰু ওজন জুখি চাওক*	শিশু (লৰা)		শিশু (ছোৱালী)	
	ওজন	উচ্চতা	ওজন	উচ্চতা
৩ মাহত	৫.২ কিলো	৫৯.১ চে.মি.	৪.৯ কিলো	৫৮.৪ চে.মি.
৬ মাহত	৬.৭ কিলো	৬৪.৭ চে.মি.	৬.১ কিলো	৬৩.৭ চে.মি.
৯ মাহত	৭.৩ কিলো	৬৮.২ চে.মি.	৬.৯ কিলো	৬৭.০ চে.মি.
১২ মাহত	৮.৪ কিলো	৭৩.৯ চে.মি.	৭.৮ কিলো	৭২.৫ চে.মি.

* ইণ্ডিয়ান কাউন্সিল অব মেডিকেল ৰিছাৰ্চ দ্বাৰা প্ৰকাশিত। ভাৰতীয় শিশুৰ এয়া গড়ানুপাতিক তালিকা। আপোনাৰ সন্তানৰ গঢ়ন-বাঢ়ন চাই ডাক্তৰ সন্তুষ্ট হলে আপোনাৰ চিন্তাৰ কোনো কাৰণ নাথাকে।

শিশুৰ যত্ন সম্বন্ধীয় আপোনাৰ বিনামূলীয়া পুস্তিকাৰ কাৰণে এই ঠিকনালৈ লিখক : গ্লিণ্ডিয়া লি. (FPD/255) ডঃ এনি বেচান্ত ৰোদ, ৱৰ্লি, বোম্বাই-৪০০ ০২৫।

আপোনাৰ সন্তানৰ পৰিপূৰ্ণ বিকাশ আৰু গঢ়ন-বাঢ়নৰ কাৰণে খুৰাওক পৰিপুষ্টিৰে ভৰপুৰ ফেৰেক্স।

ফেৰেক্স®
গঢ়ন-বাঢ়নৰ কাৰণে সোৱাদভৰা উপায়

26/203 ASM

শ্ৰীগৌতম গোস্বামী
৭/১১/৮৭

চান্দমামা

নভেম্বাৰ ১৯৮৭

এই সংখ্যাত আছে

অমৰবাণী	:	৭
চান্দমামাৰ সম্বাদ-বি-সম্বাদ	:	৯
নিশাকৰ	:	১০
কৰচৰ কালতক্ৰ	:	১১
শলাগৰ শলাকানি	:	১৫
জ্বালাদ্বীপ	:	১৯
গুণশেখৰৰ কাহিনী	:	২৭
আমাৰ দেশৰ বিচিত্ৰ কথা	:	৩৫
টেঙ্গুৰ লেঙ্গু	:	৩৯
কৃষ্ণাৰতাৰ	:	৪৩
ধোঁকা-জালি	:	৫১
উপকাৰ-প্ৰত্যুপকাৰ	:	৫৫
বাৰ্ধক্যৰ দৰব	:	৬০
প্ৰকৃতিৰ বিস্ময়	:	৬৩

খনে : ২·৫০ পইচা মাথোন * বছৰেকীয়া বৰঙনি : ৩০·০০ টকা মাথোন

চান্দমামা

চিত্তাকৰ্ষক আৰু জ্ঞানবৰ্ধক উৎকৃষ্ট মাহেকীয়া

* চান্দমামাই পুৰাণ আৰু সাহিত্যৰ শ্ৰেষ্ঠ ৰচনাসমূহক সুষ্ঠুভাৱে প্ৰকাশ কৰে।
* চান্দমামাই উদাৰ দৃষ্টিভংগীৰে আৰু সহজতম ভাষাৰে বিশ্ব-সাহিত্য পৰিবেশনা কৰে।
* চান্দামামাই সহজ-সৰল-নিৰ্মল বৰ্ণনাৰ যোগেদি পাঠক-পাঠিকাৰ আনন্দবৰ্ধন কৰাৰ লগে লগে জ্ঞানৰ সমলো যোগায় আৰু তাৰ ফলত পাঠক-পঠিকাৰ উৎসাহো বৃদ্ধি পায়।
* চান্দমামাই পুৰাণ-গাথাসমূহৰ সৈতে প্ৰামাণ্যভাৱে পাঠকক চিনকি কৰাই দিয়ে।
* শিশু তথা চেমনীয়াসকলৰ বাবে প্ৰকাশিত চান্দমামাই সিহঁতৰ প্ৰাণত আনন্দ তথা উদ্দীপনা কঢ়িয়াই আনে।
* চান্দমামা কেৱল আপোনাৰ নহয়, আপোনাৰ আত্মীয়-স্বজন, বন্ধু-বান্ধৱসকলৰো এক অপৰিহাৰ্য্য পাঠ-মাধ্যম। চান্দমামা নিজে পঢ়ক, আনলৈকো উপহাৰ দিয়ক।

তেৰটা ভাষাত চান্দমামা প্ৰাকাশিত হয়। আপুনি নিম্নলিখিত যিকোনো ভাষাৰ চান্দমামাৰ গ্ৰাহক হ'ব পাৰে:

তেলুগু, তামিল, হিন্দি, ইংৰাজী, অসমীয়া, গুজৰাটী, কন্নড়, মালয়ালম, মৰাঠী, ওড়িয়া, বাংলা, পঞ্জাবী আৰু সংস্কৃত ভাষাত চান্দমামা প্ৰকাশিত হয়।

চান্দমামাৰ বছৰেকীয়া বৰঙণি ৩০·০০ টকা মাথোন।

আপুনি কোন ভাষাৰ চান্দমামা ল'ব—তাৰ উল্লেখ কৰি, তলৰ ঠিকনালৈ টকা পঠাওক:

ডল্টন এজেন্সিজ

চান্দমামা বিল্ডিংছ, ভাদাপালানি, মাদ্ৰাজ-৬০০ ০২৬

দিনটো আৰম্ভ হওক সুখত সজীৱ আমেজ লৈ মুখত !

পিপাৰমেন্ট আৰু
স্পিয়াৰমেন্টৰ সতেজ সজীৱ
আমেজ। বঢ়িয়া ফৰ্মূলাৰ
নিমিষতে বিয়পি পৰা ফেনেৰে
দাঁত চিকচিকীয়াকৈ
পৰিস্কাৰ কৰে, নিশ্বাসত
স্নিগ্ধ সুগন্ধ।
নতুন পণ্ডচ টুথপেষ্টৰে দাঁত
ঘঁহিবলৈ অকণো আমনি
নালাগে, বৰং ভালহে লাগে।

চাব, সৰু সৰু ল'ৰা-
ছোৱালীয়ে এই টুথপেষ্টৰে
দাঁত ঘঁহিবলৈ বৰ ভাল পাব।
আজিয়েই নতুন পণ্ডচ
টুথপেষ্ট কিনক।
আপোনাৰ জীৱনৰ
প্ৰতিটো পুৱা হৈ
উঠক সুন্দৰ,
সাৰ্থক।



বিশেষ উপাদান থকাত ফেনবোৰ দ্ৰুত বিয়পি পৰে।
শক্তিশালী ফেনত ...



... বৰ সহজেই দাঁতৰ ময়লা আৰু লুকাই থকা খোৱাবস্তুৰ টুকুৰা
চাফা কৰি দি দাঁত শুভ্ৰ আৰু চিকমিকীয়া কৰি তোলে।

নতুন
পণ্ডচ
টুথপেষ্ট

সুস্থ সবল ৰাখে দাঁত, সুৰভিত সতেজ নিশ্বাস

OBM 9795 ASS



চান্দমামা

সংস্থাপক * * * সঞ্চালক

চ ক্র পা ণি * বি নাগিৰেড্ডি

‘মিকি মাউছ’ৰ কথা বহুতেই জানে, ‘মিকি মেও’ৰ কথা ? বা ‘পনীয়া কৰত’ৰ কথা ? বা জুইহঁতীয়া ছাতৰৰ বাতৰি ? এই সংখ্যাৰ ৯ পৃষ্ঠাত এইবোৰৰ উত্তৰদিহ পোৱা যাব। কোনোবাই জাপানদেশৰ টেঙ্গু-ভূতৰ কথা যদি জানিবলৈ বিচাৰে ৩৯ পৃষ্ঠা চাব লাগিব। আৰু ঘোঁৰা ভাৰালৈ ল’বলৈ হ’লে চাব লাগিব ৫১ পৃষ্ঠা। আৰু ‘শিল-খোৰ ঘঁৰিয়াল’ৰ কথা, ‘পনীয়া কথা’ৰ পেনপেননি ৬৩ পৃষ্ঠাত। এই সংখ্যাৰ অন্যান্য গল্প-কাহিনীও অতি আকৰ্ষণীয় তথা শিক্ষনীয়।

অমৰ-বাণী

অৰ্থনাশম্ মনস্তাপম্ গৃহে দুশ্চৰিতানি চ।
বঞ্চনম্ চাপমানম্ চ মতিমান ন প্ৰকাশয়েৎ ॥

[বিবেকবান ব্যক্তিয়ে তেওঁৰ অৰ্থ নাশ হ’লে, মনত দুখ পোৱা হ’লে, যিকোনো পাৰিবাৰিক নিন্দাৰ হেতু সৃষ্টি হ’লে, বঞ্চনা লাভ কৰিলে আৰু বেয়াকৈ অপমানিত হ’লেও বাহিৰা কাৰোবাক সেইবোৰ অপমানৰ কথা কদাপি নকয়।]

বছৰ ঃ ১২ নভেম্বাৰ ১৯৮৭ সংখ্যা ঃ ৮

খনে ঃ ২.৫০ টকা ঃ ঃ বছৰেকীয়া বৰঙণি ঃ ৩০.০০ টকা

Trikaya-E-3-86-ASM

মনটোয়ে বেয়া বাবলুৰ আমাৰ
খেলা-ধুলা নহলে নচলে আৰ
ৰোগৰ চিকাৰ হয়যে সি
অথীহঁত নাহে ওচৰ চাপি !

এনে সময়ত এক' কামলৈ আহে
লগে লগে সি আঁকাত লাগে
১২ বিধ ৰঙত আঁকে ভটৌ, বান্দৰ,
বাবলু আনন্দিত হয় তাকে দেখি !

হালধীয়া, কমলা, বেঙুনীয়া, ক'লা
গুলপীয়া, ভায়োলেট, বাদামী, ৰঙা
সেউজীয়া, নীলা চব ৰঙেই পাবা
অতি ভাল স্কেচ পেন এক'ৰে লবা!

এক'

স্কেচ পেন ৰঙৰ মজা ! আঁকা-আঁকিৰ ৰজা !

প্ৰিচিশান ৰাইটিং পইণ্ট্চ প্ৰাঃ লিঃ, ১৮, সুভাষ ৰোড, ভিলে পাৰ্লে (পূৰ্ব) বোম্বাই-৪০০ ০৫৭ ফোন : ৬০৪০৩০৫, ৬০৪০৫৫৫.

চান্দমামাৰ
সম্বাদ-বি-সম্বাদ

মেওৰ ছেও

'মিকি' নামৰ মেওৰে অৰ্থাৎ মেকুৰীয়ে মেকুৰী ইতৰ মাজত বিশ্বৰেকৰ্ড কৰিলে। জাপানৰ এগৰাকী পুলিছৰ বিষয়াৰ পৰিবাৰৰ মৰমৰ মেওটিক পুলিছ মহোদয়ে জলাকলা সহিব নোৱাৰি ৩৭০ কিলোমিটাৰ দূৰৈত এৰি থৈ আহিল। এই মেও তথা মেকুৰীজনীৰ নাম হ'ল মিকি। উনৈছ মাহৰ অন্তত মিকিমেওৰে পুনৰ পুলিছ মহোদয়ৰ আগত ওলালহি !

অদমনীয়-আন্দ্ৰিছ

পশ্চিম জাৰ্মানিৰ ২৯ বছৰীয়া আন্দ্ৰিছৰ জীৱনস্বপ্ন আছিল ভাৰতবৰ্ষ আৰু পৃথিৱীৰ অন্যান্য দেশ পৰিভ্ৰমণ। আন্দ্ৰিছে তাৰ স্বপ্ন সফল কৰিবলৈ পৰিভ্ৰমণলৈ ওলাল, কিন্তু হঠাৎ এটা দুৰ্ঘটনাৰ কবলত পৰি তাৰ ভৰি দুখন কটা গ'ল। কিন্তু আন্দ্ৰিছ নদমিল। হুইল চেয়াৰত [চকা লগোৱা চকী] বহি বহিয়েই অদমনীয় আন্দ্ৰিছে ভাৰতবৰ্ষ আৰু অন্যান্য দেশ পৰিভ্ৰমণ কৰি ৫০,০০০ কিলোমিটাৰ অতিক্ৰম কৰিলে !

পনীয়া কৰত

পনীয়া কৰত বস্তুটোনো কি? কৰত—লোহাৰহে হয়, পানীৰে কৰত হ'বনো কেনেকৈ?—কিন্তু অবিশ্বাস্য যেন বোধ হ'লেও—হ'ব। পানীৰ প্ৰস্ৰৱণে শব্দতকৈয়ো তিনিগুণ অধিক গতি সঞ্চাৰ কৰিব পাৰে, আৰু সেই পনীয়া গতিৰে যিকোনো লোহাক অতি নিমজভাৱে কাটিব পাৰি !

জুইহতীয়া ছাত্ৰ!

ইউক্ৰেনৰ তেৰ বছৰীয়া ছাত্ৰ এটিয়ে যি বস্তু হাতেৰে স্পৰ্শ কৰে, লগে লগে সেই বস্তু পুৰি ভষ্ম হয়। কাপোৰ-কানি, কিতাপ, আলমাৰী বহু বিধৰ বস্তু তাৰ হাতৰ স্পৰ্শেৰে ভষ্ম হ'ল। ৰুছ বিজ্ঞানী সকলে এই জুইহতীয়া ছাত্ৰটিৰ হস্পিটালত পৰীক্ষা-নিৰীক্ষা চলাই আছে !

পুৰাণ-গাথা

নিশাকৰ

ধৰ্মৰক্ষক ধৰ্মস্টকৰ পুত্ৰ নিশাকৰ দণ্ডকাৰণ্যৰ নিকটস্থ মুনি-ঋষিসকলৰ আশ্ৰমত বাস কৰিছিল। কিন্তু ধৰ্মৰক্ষৰ পুত্ৰ হোৱা সত্বেও নিশাকৰ আছিল মহাদুষ্ট। সি সদায় সকলোতে গণ্ডগোলীয়া কাণ্ড কৰিছিল।

এবাৰ নিশাকৰ হঠাৎ নিৰুদ্দেশ হৈ পৰিল। মাকে বহু ঠাইত বিচাৰিও তাক নোপোৱা হ'ল। বহুতেই ক'লে যে নিশাকৰক হয়তো বাঘে খালে। খেনোৱে নিশাকৰক অৰণ্যলৈ যোৱা দেখিছিল বুলিও ক'লে। ধৰ্মিষ্ঠ ধৰ্মস্টকে শোক-তাপ বুকুত বান্ধি কথমপি জীয়াই থাকিল পুত্ৰহাৰা হৈ।

বহুদিনৰ পাছত এদিন বাটেদি গৈ থাকোঁতে বাটৰ কাষত থকা নাদ এটাৰপৰা মানুহৰ কণ্ঠস্বৰ ওলোৱা শুনি ধৰ্মস্টকে নাদৰ মুখত থকা শিলচটাৰ কাষত থিয় হৈ কৈ উঠিল: "নাদৰ ওপৰত এচটা আছে শিল কিয়? নাদৰ মুখ বন্ধ থাকিলে দেখোন নাদ থকা আৰু নথকা একেই কথা।"

নাদৰ ভিতৰৰপৰা নিজ-পুত্ৰৰ কণ্ঠস্বৰ শুনি শোকৰ খুন্দাত বিতত হৈ পৰা ধৰ্মস্টকে নিশাকৰক নাদৰপৰা উদ্ধাৰ কৰিবলৈ প্ৰাণপণে চেষ্টা কৰি থাকিল।

নিশাকৰক যে তাৰ দ্বাৰা উৎপীড়িত প্ৰজাইহে নাদৰ ভিতৰলৈ ঠেলি পেলাইছিল, আৰু পাছত শিলচটাৰে নাদৰ মুখ বন্ধ কৰিছিল, সেই কথা বুজাত ধৰ্মস্টকৰ কষ্ট নহ'ল। বহু সময় ধৰি চেষ্টাৰ অন্তত পুত্ৰ নিশাকৰক পিতৃ ধৰ্মস্টকে নাদৰপৰা উঠাই আনিলে। কিন্তু নিশাকৰ আৰু গৃহলৈ উভতি নগ'ল। তপস্যা কৰাৰ মনেৰে নিশাকৰ গভীৰ অৰণ্যলৈ গুচি গ'ল। পাছত, কঠোৰ তপস্যা কৰি ত্ৰিকালজ্ঞ ঋষি হিচাপে নিশাকৰ জগতৰ শ্ৰদ্ধাৰ পাত্ৰ হৈছিল।



কৱচৰ কালচক্ৰ

গংগা প্ৰসাদ নামৰ এটা চোৰ আছিল। এনিশা সি ৰজাৰ ধন-ভঁৰালৰ-পৰা চুৰি কৰি, চুৰ কৰা ধন-সোণ-মণি-মুকুতা এঠাইত লুকাই লৈ দিলে। আৰু তাৰ পাছত তাৰ মনৰ এক আচৰিত চখে চায়ন দি ধৰিলে : ৰজাৰ ধনৰ ভঁৰাল কোনে কৈনেকৈ পৰ দিয়ে—সি চাব, চাই বুজ ল'ব। এই বাবে ভেশছন লৈ সি ৰাজধানীত ঘূৰি ফুৰিবলৈ ধৰিলে।

বিভিন্ন বাটেৰে গৈ থাকোঁতে—এঠাইত এখন ধৰমশালাত সাধু এজনে টোপনি মাৰি থকা দেখা পাই সি তাত ৰ'ল। বৈ সি ভাবিলে : সাধুহঁতে নানান অলৌকিক কাণ্ড কৰে। কিহেৰে কৰেনো? গংগাপ্ৰসাদে নিদ্ৰামগ্ন সাধুক ভালকৈ পৰ্য্যবেক্ষণ কৰি সাধুৰ বাহুত ৰঙা সূতাৰে বন্ধা কৱচ এটা বন্ধা অৱস্থাত দেখা পাই, কৱচটো নিজৰ হাতত পিন্ধি ল'লে।

কৱচ পিন্ধাৰ লগে লগে গংগাপ্ৰসাদে চিঞৰি চিঞৰি কৈ থাকিল : "মই হ'লোঁ এটা চোৰ, ৰজাৰ ধন-ভঁৰালৰ ধন-সোণ ময়েই চুৰ কৰিলোঁ। মোৰ নাম গংগা।"

গংগা অবাক হ'ল। চোৰে নিজৰ কথা নিজেই কয়নে জগতৰ ক'ৰবাত? কিন্তু সি কৈ পেলালে। আৰু নিশ্চয় এই কাম এই কৱচৰে কাম। আৰুনো কি হ'ব? এই কথা ভাবি গংগাপ্ৰসাদে কৱচটো তৎক্ষণাৎ খুলি দলিয়াই পেলালে। কিন্তু কেনে আচৰিত কাণ্ড যে! কৱচটোৱে নিজে নিজেই পুনৰ গংগাপ্ৰসাদৰ বাহুত আহি লাগি ধৰিল। ইতিমধ্যে গংগা-প্ৰসাদৰ চিঞৰ-বখিৰ শুনি প্ৰহৰীহঁতে

মনী ফুকন

তাক ধৰি ৰজাৰ ওচৰলৈ লৈ গ'ল।

ৰজাই প্ৰহৰীহঁতৰ কথা শুনি ক'লে, "কোনো চোৰে নিজক চোৰ বুলি নকয়, ক'ব নোৱাৰে। সঁচা কথাটো যে কি— জানিব লাগিব। মানুহটোৱে যদি মিছামিছিকৈ নিজক নিজে চোৰ বুলি কৈ চিঞৰি খলক লগাই তোমালোকক চৰখৰীয়াত পেলাব খুজিছিল—তাৰ মুণ্ড ঘচং কৰা হ'ব আৰু প্ৰাসাদৰ দুৱাৰত তাৰ মুণ্ডটো ওলোমাই দিয়া হ'ব।"

কিন্তু প্ৰহৰীহঁতে যেতিয়া গংগাপ্ৰসাদৰ কথা মতে ৰজাৰ চুৰি হোৱা ধন-সোণ উদ্ধাৰ কৰি আনি ৰজাক দিলে, তেতিয়া বিবুদ্ধি হৈ পৰা ৰজাই প্ৰহৰীহঁতক ক'লে "ই যে চোৰ—সেই কথা ধুৰুপেই। পিছে—সি যে নিজক নিজেই চোৰ বুলি চিঞৰি কিয় তাল-ফাল লগাইছিল তাৰ ৰহস্য নজনালৈকে ই ফাটেকতে থাকক।"

সেই নিশা গংগাপ্ৰসাদে ফাটেকৰ প্ৰহৰীক ফুচফুচাই ক'লে, "এই কৰচৰ অপাৰ মহিমা। তুমি নিজৰ বাহুত বান্ধিলেই মোৰ কথাৰ প্ৰমাণ পাই যাবা।"

প্ৰহৰীটোৱে তৎক্ষণাৎ তাৰ বাহুত কৰচটো বান্ধিলে আৰু পাছমুহূৰ্ত্ততে সি চিঞৰিবলৈ ধৰিলে: "মই—মই পৰ দিওঁতে ওৰে ৰাতি টোপনি মাৰোঁ। কিন্তু কোনেও ধৰিব নোৱাৰিব, কিয়নো মই চকু মেলিয়েই টোপনিয়াব পাৰোঁ।"

কথাটো গংগাপ্ৰসাদে জানি গ'ল, আৰু নিশা সি ফাটেকৰপৰা নিফুট হ'ল।

ফাটেকৰ পৰীয়াই নিজেই ৰজাক ক'লেগৈ, "গংগাচোৰ পলোৱাৰ কাৰণে মই জগৰীয়া, মহাৰাজ। আৰু এই যে কৰচ দেখিছে মোৰ বাহুত—এই কৰচেই কাণ্ডটো কৰিলে।"

প্ৰহৰীটোৱে ৰজাক কৰচৰ কথা ভাঙি-পাতি ক'লে, আৰু তাৰ পাছত ৰজাই কৰচটো দলিয়াই পেলালে।

কিন্তু পাছ মুহূৰ্ত্ততে কৰচটো উৰি

আহি ৰজাৰ বাহুত বান্ধ খাই পৰিল। ৰজাই তেতিয়া ফাটেকৰ পৰীয়াৰ কথাৰ অৰ্থ ভালকৈ ঠাৱৰ কৰিব পাৰিলে আৰু ৰাজসভাস্থ এজন দৰ্শকৰ বাহুত কৱচটো বান্ধি দিলে। লগে লগে মানুজনে ৰজাক কৈ উঠিল, "আপুনি হ'ল অবিবেচক ৰজা, বাৰে বাৰে কৰৰ বোজা জাপি দি আমাক জুৰুলা কৰিছে।"

তাৰ পাছত ৰজাই কৱচটো এটা প্ৰহৰীৰ বাহুত বান্ধি দিয়াৰ লগে লগেই প্ৰহৰীটোৱে টপ টপ কৰে ক'বলৈ ধৰিলে, "মহাৰাজ, আপুনি আমাক খটুৱাই লয় অধিককৈ, কিন্তু দৰমহা দিয়ে কমকৈ। আপোনাক আমি ভাল পোৱাতকৈ ঘিণহে কৰোঁ বেছিকৈ।"

তাৰ পাছত ৰজাই কৱচটো সেনাপতিৰ বাহুত লগাই দিয়াৰ লগে লগেই তেওঁৰ সেনাপতিয়ে কৈ উঠিল, "ৰজা হোৱাৰ কাৰনো মন নাযায়? মোৰো যায়। আৰু ময়ো এদিন-নহয়-এদিন নিশ্চয়েই এই দেশৰ ৰজা হ'ম।"

প্ৰজাৰ কাৰণে বহুতো মংগলজনক কাম-কাজ কৰা সত্বেও এইবোৰ কথা শুনি ৰজাই বৰ দুখ পালে আৰু ভাবিলেঃ সেনাপতিৰ মনত যদি ৰজা হোৱাৰ ইমানেই আকাংক্ষা—তেনেহ'লে দেখোন



শিতানতে বিষম বিপদ!

ওৰে নিশা ৰজা সাৰে আছিল। চকুত তেওঁৰ টোপনি নোহোৱা হ'ল। ৰাতি পুৱাল। আৰু তৎক্ষণাৎ মহামন্ত্ৰীক মতাই অনাই সকলো কথা ক'লে। পৰিশেষত তিতা-কেঁহা লাগি ৰজাই মন্তব্য কৰিলে, "মহামন্ত্ৰী, মোৰ আৰু সিংহাসনত মন নাই। লোকৰ কথা শুনি মোৰ মই একেবাৰে হতাশ হৈ পৰিছোঁ।"

ৰজাৰ কথা শুনি মহামন্ত্ৰীয়ে হাঁহি মুখেৰে ক'লে, "মহাৰাজ, আপোনাৰ মনৰ এনে পৰিৱৰ্তনৰ গুৰিত আছে—এই কৱচটো। এই কৱচ দূৰতে বিদূৰ কৰক।"

মহামন্ত্ৰীৰ কথাত ৰজা তুষ্ট হ'ল। এই কৰচটো আন কোনেও লৈ যোৰাটো ৰজাই মনে-চিতে বিচাৰিছিল ; কিন্তু এনে মাৰাত্মক মহিমাযুক্ত কৰচটো ল'বলৈ কোনো আগুৱাই নাহিল। তেতিয়া ৰজাই এই কৰচটো লৈ যোৰাজনক প্ৰচুৰ পুৰস্কাৰ দিব বুলি ঘোষণা কৰিলে।

কিন্তু এই লোভনীয় ঘোষণাৰেও একো কাম নহ'ল। কোনো আগুৱাই নাহিল। তেতিয়া ৰজাই এই কৰচটো লৈ দিনতে আন্ধাৰ দেখা হ'ল। কৰচটো এক বিৰাট সমস্যা হৈ উঠিল। কিয়নো, এই কৰচৰ মহিমাতে ৰজাই প্ৰতিদিন ৰাজকীয় গুপ্ত কথা ব্যক্ত কৰিছিল।

তাৰ পাছত, বিপাঙত পৰা ৰজাৰ অৱস্থা দেখি, মহামন্ত্ৰীয়ে এজন মানুহক ধৰি আনি ৰজাক ক'লেহি, "মহাৰাজ, এই মানুহজনে কৰচ ল'বলৈ মান্তি হৈছে। কৰচটো এতিয়াই তাক পিন্ধাই দিয়ক !"

ৰজাই তৎক্ষণাৎ মানুহজনৰ বাহুত কৰচটো বান্ধি দিলে আৰু মানুহজনেনো কি কয়—শুনিবলৈ আগ্ৰহেৰে ৰৈ থাকিল। কিন্তু বহু সময়ৰ অন্ততো মানুহজনে একো নোকোৱাত, বিস্মিত ৰজাই তেওঁৰ নিজৰ ঘোষণামতে ভালেখিনি ধন-সোণ উপহাৰ হিচাপে মানুহজনক দিলে আৰু ক'লে, "ইমানদিন — যিজনেই এই কৰচটো পিন্ধিছিল, লগে লগে সঁচা কথাবোৰ কৈছিল, আৰু বেমেজলীয়া অৱস্থাৰ সৃষ্টি হৈছিল। কিন্তু—তুমি মোক আচৰিত কৰিলা বোপাই। তুমি বাৰু—কি ? মানুহ নোহোৱানে কি ? নে তুমি কোনোবা মহাপুৰুষ ?"

মহামন্ত্ৰীয়ে হাঁহি মাৰি ৰজাক ক'লে, "মহাৰাজ, আপুনি যাক মহাপুৰুষ বুলি ভাবিছে—সি আচলতে বোবা। এই কৰচ পিন্ধাৰ সাহস—একমাত্ৰ বোবাৰ পক্ষেইহে সম্ভৱ।"

শলাগৰ শলাকানি

টোলৰ ডোল ছিঙি ডেকা বিদ্যাভূষণ গাঁৱলৈ উভতি আহিল। আহি চালে যে—তাৰ যে তজবজীয়া মাক-দেউতাক আছিল, তেওঁলোক এহাল বুঢ়া-বুঢ়ীহে হৈ পৰিল। এতিয়া আৰু মাক-দেউতাকে কাম-বন কৰি আতোল-তোলকৈ খুৱাব-বুৱাব নোৱাৰিব যেন পাই—বিদ্যাৰত্ন বিদ্যাভূষণে বাধ্যত পৰি খেতি-বাতিত ধৰিলেগৈ। কেৱল বিদ্যা চোবাই খাই যে ভোক গুচাব নোৱাৰি—সাৰ কথাটি বিদ্যাভূষণে বুজি পাই অলপতে কলপ কাটিলে।

কিন্তু খেতি-খোলা কৰিও বিদ্যাভূষণে কাব্য নৰচাকৈ নাথাকিল। দুবছৰৰ ভিতৰত বিদ্যাভূষণে বাৰখন কাব্যগ্ৰন্থ ৰচিলে। মাক-দেউতাকে তেওঁলোকৰ যোগ্য পুত্ৰ বিদ্যাভূষণৰ এই বিদ্যাৰ শলাগ ল'লে।

মাক-দেউতাকৰ শলাগ পাই বিদ্যাভূষণে আনন্দ মনেৰে ক'লে, "ৰসগ্ৰাহীসকলে কাব্যৰ শলাগ ল'লে—কাব্যৰচনা সাৰ্থক হোৱা যেন হয়। পিছে—আমাৰ গাঁৱত কাব্যৰ 'ক' বুজা এজনো নাই যেন লাগে। সেয়েহে, মোৰ কাব্যৰ সুঁতিও একেবাৰে অকালতে মৰহি যাব ধৰিছে।"

বিদ্যাভূষণৰ দেউতাকে ক'লে, "চোৱাঁ বোপা, ৰজাৰ সহায় নাপালে তুমি কিন্তু বৰ বেছি দূৰলৈ আগবাঢ়িব নোৱাৰিবা। অন্ততঃপক্ষে এখন কাব্যগ্ৰন্থ দেশৰ ৰজাক নিজ হাতে দিয়াগৈ।"

চোৱাঁ, দেউতা মই যি লিখিছোঁ, মোৰ মানত নিশ্চয় ভাল। কিন্তু ইমানকেইখন কাব্যগ্ৰন্থৰ মাজত কোনখন যে ভাল, কোনখন বেয়া, কেনেকৈ বুজিম?

কালিৰাম কলিতা

যি হওক. মই ৰাজধানীলৈ যাম, তুমিও মোৰ লগত ওলাবা।” বিদ্যাভূষণে ক'লে, “আন কাৰোবাৰ সহায়-সাৰথিৰো আৱশ্যক হ'ব পাৰে।”

“তেনেহ'লে মোক লগত নলৈ আমাৰ কবিৰঞ্জন গাঁওবুঢ়াকে লগত লৈ নোযোৱা কেলেই?” দেউতাকে বিদ্যাভূষণক ক'লে।

*

এই গাঁৱৰ গাঁওবুঢ়াৰ নাম আছিল কবিৰঞ্জন, কামতো আছিল কবিতাৰ ৰসগ্ৰাহী। পিছে—গুৰু-গম্ভীৰ কবিতা গাঁওবুঢ়া কবিৰঞ্জনে মুঠেই ভাল নাপাইছিল যে—কবিৰঞ্জন গাঁওবুঢ়াই যে লঘু কবিতাহে ভাল পাইছিল, বিদ্যাভূষণে সেই কথাটো আগৰেপৰাই জানিছিল। সেই দেখি বিদ্যাভূষণে তাৰ দেউতাকক ক'লে, “চোৱাঁ, দেউতা, কোনোবা গাঁওবুঢ়াক মই কবিতা গাই শুনাব নোৱাৰিম। সেই ধৈৰ্য্য মোৰ নাই। শুনায়ো লাভ নহ'ব।”

বিদ্যাভূষণৰ দেউতাকৰ কাব্যজ্ঞান তেনেই তাকৰ হ'লেও জগৎ-সংসাৰৰ জ্ঞান আছিল প্ৰখৰ। তেওঁ পুতেকক ক'লে, “বোপা, কথাতে বোলে—বুদ্ধিৰ্য্যস্য বলং তস্য। যাৰ বোধ-বুদ্ধি আছে, সি সাগৰৰ বুকতো শইচ ওপজাব পাৰিব। কাৰ্য্যোদ্ধাৰ কৰিবা বুলি ভাবিছা যদি, গাঁওবুঢ়াকে গবা মাৰি ধৰাগৈ।” এই বুলি কোৱাৰ অন্তত তেওঁক পুতেকৰ কাণত ফুচফুচাই শুন-নুশুন বহুতো কিবাকিবি ক'লে।

*

আৰু—তাৰ পাছত বিদ্যাভূষণে গাঁও-বুঢ়াক এটাৰ পাছত আনটোকৈ কবিতা গাই গাই গাই-বাই চাবলৈ ধৰিলে। প্ৰথমটো কবিতা শুনিয়েই গাঁওবুঢ়াই বিদ্যাভূষণক ক'লে, “তোমাৰ এই কবিতাটো বঢ়িয়া হৈছে। ৰজাৰ শলাগ পাবলৈ এই এটা কবিতায়েই যথেষ্ট। কিন্তু এইটো শুনাৰ পাছত বাকীবোৰ কবিতাও শুনিবলৈ মোৰ বৰ মন গৈছে।”

আৰু লগে লগে নিজৰাৰ সোঁতৰদৰে বিদ্যাভূষণৰ মুখৰপৰা কবিতাৰ সোঁত ওলাল। আটাইবোৰ কবিতা শুনাৰ অন্তত গাঁওবুঢ়াই লাহেকৈ ক'লে, "হেৰাহে, আটাইবোৰ শুনিলোঁ, পিছে—তোমাৰ পথমটোৰ দৰে আন এটাও নহ'ল। আৰু দুই-চাৰিটামান দেখোন অতি নিম্নমানৰ কবিতা যেন পালোঁ।"

*

তাৰ পাছত বিদ্যাভূষণে দুমাহ দিন ধৰি গাঁওবুঢ়াক কবিতা গাই শুনাইছিল, আৰু এদিন গাঁওবুঢ়াৰ সহায়ত সঁচাসঁচিকৈ ৰজাৰ 'দৰ্শনলাভ কৰিব পাৰিছিল।

ৰজাক বিদ্যাভূষণে তাৰ প্ৰথম কবিতাটো পাঁচ দিন ধৰি গাই শুনোৱাৰ অন্তত ৰজাই বিদ্যাভূষণৰ আশ্চৰ্য্য ক্ষমতা তথা ধৈৰ্য্যৰ শলাগ লৈ ক'লে, "তোমাৰ মাজত মহাকবিৰ লা-লক্ষণ আছে। কিন্তু তুমি ৰ'লা কিয়? আৰু ভাল ভাল কবিতা নাইনে?"

"মহাৰাজ, মোৰ কবিতা মোৰ ভাল লাগিব—এয়া তেনেই স্বাভাৱিক কথা। পিছে—মোৰ ৰচিত ভালবো ভালবোৰ কোনবোৰ, সেই কথা নিৰ্ণয়ৰ দায়িত্ব দিছিলোঁ আমাৰ গাঁওবুঢ়া কবিৰঞ্জনৰ ওপৰত। তেওঁৰ মতে মোৰ যিবোৰ কবিতা শ্ৰেষ্ঠ তাৰ প্ৰথমটোৰেই মই আপোনাক..."

ইমানলৈকে কোৱাৰ অন্তত ৰজাই



হাত দাঙি বিদ্যাভূষণক ৰখাই ক'লে, "মই তোমাক, আৰু লগতে সেই ইমানদাৰ গাঁওবুঢ়াকো প্ৰকাশ্য ৰাজসভাত মান ধৰিম বুলি স্থিৰ কৰিছোঁ।"

ৰজাৰপৰা আহ্বান গাই গাঁওবুঢ়া তৎক্ষণাৎ ৰাজধানীলৈ গ'ল আৰু ৰাজধানী পায়েই ৰজাৰ কাষ চাপিল। ৰজাৰপৰা সকলো কথা শুনাৰ অন্তত গাঁওবুঢ়াই ৰজাক ক'লে, "মহাৰাজ! সি বিদ্যাভূষণে আপোনাক যি কবিতা গাই শুনালে, সেই কবিতা মোক কেতিয়াও শুনোৱা নাছিল। বিদ্যাভূষণৰ অধিকভাগ কবিতা মই ভাল পোৱা নাছিলোঁ। কিন্তু মোক যিটো পথমে শুনাইছিল, সেইটো যদি শুনে, তেনেহ'লে আপুনি আৰু অধিককৈ শলাগ ল'ব যেন পাওঁ।"

*

ৰজাই গাঁওবুঢ়াক ৰাজকীয় আলহী ঘৰলৈ পঠোৱাৰ পাছত বিদ্যাভূষণক ক'লে, "গাঁওবুঢ়াক গাই শুনোৱা কবিতা মোক তুমি নুশুনালা কিয়? তোমাৰ আশাই দেখিছোঁ সীমা বান্ধিব নাজানে।"

বিদ্যাভূষণে ক'লে, "মহাৰাজ, গাঁও-বুঢ়াক কবিতা গাই শুনোৱাৰ আঁৰত মোৰ একমাত্ৰ উদ্দেশ্য আছিল আপোনাৰ দৰ্শনলাভ। সেই উদ্দেশ্য সফল হ'ল। পিছে—গাঁওবুঢ়াই মোৰ কবিতা শুনি ভালপোৱাহেঁতেন, মই আপোনাৰ কাষকে নাচাপিলোহেঁতেন।"

ৰজাই বিদ্যাভূষণৰ এই উত্তৰ শুনি ভাল পাই তেতিয়াই বিদ্যাভূষণক ৰাজকবি হিচাপে আদৰি ল'লে।

*

বিদ্যাভূষণ ৰাজধানীতে থাকি গ'ল তাৰ মাক-দেউতাককো লৈ অহা হ'ল। পাছত বিদ্যাভূষণে কায়মনোবাক্যে কাব্য ৰচনা কৰি সমগ্ৰ দেশত 'কবিৰাজ' হিচাপে সন্মানৰ পাত্ৰ হৈছিল।



১৭

কন্ধ হ'ল ভালুকদলৰ চৰ্দাৰ তথা নেতা। এই কন্ধৰ ওচৰলৈ উগ্রদত্তক লৈ যোৱা হ'ল। কন্ধই উগ্রদত্তৰ সহযোগিতাৰে এঠাইত কাটিলে সাতঠাইত গজা মহাদুষ্ট একপাদক হত্যা কৰাৰ কথা দ'কৈ চিন্তি থাকিল। কিন্তু একপাদক হত্যা কৰা অতি কঠিন। কিয়নো, যিজনে একপাদৰ তেজ, ৰা একপাদে যিজনৰ তেজ দেখা পাব, সেইজনৰ সেই মুহূর্ততে মৃত্যু হ'ব। কন্ধৰপৰা এই কথা শুনি উগ্রদত্ত অতি বিস্মিত আৰু বিভ্রান্ত হৈ পৰিল। তাৰ পাছত······

বাঘছালপিন্ধাহঁতৰ অন্যতম নেতা এক-পাদক হত্যা কৰাৰ এনে আচৰিত অসুবিধাৰ কথা শুনি উগ্রদত্তৰ মুখৰ মাত হৰিল। কিয়নো একপাদক হত্যা নকৰা নহ'লে যে জ্বালাদ্বীপত খোজ পেলোৱা টান, সেই কথা উগ্রদত্তই বঢ়িয়াকৈ জানেই। কথা মাথোন সিমানেই নহয়। সামন্তৰজা সুদৰ্শনৰ জীয়েক ৰাজকুঁৱৰী চন্দ্রসেনাকো এই সাতকালৰ চেং একপাদে বন্দী কৰি থৈছে। এনে অৱস্থাত—

ৰক্তপাত বিনে একপাদক কেনেকৈ হত্যা কৰা হ'ব ? এয়া অসম্ভৱ কথা। তেজো নোলাব, মানুহো মৰিব, এই নোহোৱা কাণ্ড কেনেকৈ হ'ব !

"একপাদক হত্যা কৰাটো যে কিমান কঠিন কাম, তাৰ জীয়া কাহিনী কওঁ। এবাৰ আমাৰ ভালুকদলৰ হাতত একপাদ ধৰা পৰিল। সি টেঙৰে যেতিয়া বুজি পালে যে এইবাৰ তাৰ সময়ে চমু চাপিছে, তেতিয়া সি নিজেই তাৰ নিজৰ তৰোৱালেৰে ভৰিৰ এডোখৰ ঠাই ফালি তেজ উলিয়ালে। আৰু—আমাৰ দলৰ যিমানবোৰ তাত আছিল, আটাইবোৰৰে তৎমুহূৰ্তত মৃত্যু হ'ল তাৰ তেজ দেখাইঁতৰ এটাও জী নাথাকিল।" কন্ধই কথাবোৰ উগ্ৰদত্তক ক'লে।

"তেনেহ'লে দেখোন আমিও মৰিম ! সি কেনেবাকৈ তাৰ তেজ অলপ উলিয়ালেই হ'ল। কি হ'ব তেন্তে— ? তাক হত্যা কৰাৰ উপায় কি ?" চিন্তিত উগ্ৰদত্তই দুশ্চিন্তিত কন্ধক সুধিলে।

একপাদৰ প্ৰাসাদলৈ চাই পঠিয়াই ৰুদ্ৰই ক'লে, "আমি যদি কেনেবাকৈ তাৰ প্ৰাসাদ দখল কৰিব পাৰোঁ, ৰক্তপাত বিনে তাক হত্যা কৰাৰ চিন্তা তেতিয়া কৰা হ'ব। তাক ফান্দত পেলাব পাৰিলে কিবা-নহয়-কিবা উপায় নিশ্চয় ওলাব। আমাৰ উগ্ৰাক্ষও কম নহয়, সিও গবৈত থৈ কটাত পাকৈত।"

কিন্তু মোৰ পালকপিতাৰ যদিহে কিবা হয়—সেই দুখ কেনেকৈ সহিম ? উগ্ৰদত্তই মনতে ভাবিলে : কিন্তু কন্ধই কোৱা মতে কাম নকৰিলেও তো নহ'ব। এতিয়া তেন্তে উপায় কি ?

উগ্ৰদত্তক কন্ধই ক'লে, "উগ্ৰদত্ত, তুমি কিবা উপায়ৰ কথা ভাবিছানে ? তোমাৰ পালকপিতাৰপৰা আমি সহায় প্ৰাৰ্থনা কৰাটো উচিত হ'বনে ? তেওঁ আমাক সহায় কৰিবনে ?"



"তেওঁৰ ওচৰলৈ কোনে যাব? ময়েই যাওঁনে?" উগ্রদত্তই সুধিলে।

ৰুদ্রই কৈ উঠিল, "কপিলপুৰলৈ গৈ, এই অৱস্থাৰ কথা কৈ, তথা আলোচনা কৰি, তেওঁলোকৰপৰা সহায়-সাৰথি লৈ, মই উভতি আহিব পাৰিম। পিছে—এতিয়াই মোৰ খোৰা-বোৰাৰ বন্দৱস্ত কৰিব লাগিব।"

ৰুদ্রৰ প্রস্তাৱত কন্ধ আৰু উগ্রদত্ত তৎক্ষণাৎ সন্মত হ'ল। কন্ধই নিজৰ অনুচৰ এজনক—খোৰা-বোৰাৰ পাছত ভয়ানক চৰাইৰ পিঠিত উঠাই ৰুদ্রক কপিলপুৰৰ অৰণ্যত নমাই দিবলৈ আদেশ দিলে ভালুক অনুচৰহঁতৰ মাজত এটাক।

কিন্তু অনুচৰটোৱে চৰ্দাৰ কন্ধৰ কথালৈ যেনিবা কাণসাৰকে নকৰা হ'ল। এই কথাটো ফটফটীয়া হৈ পৰিল যে—এই অনুচৰটো তালৈ যাবলৈ একেবাৰে ইচ্ছুক নহয়।

কন্ধ চিন্তিত হ'ল।

উগ্রদত্তই ক'লে, "ৰুদ্র, তুমি যদি এটা কাম কৰা তেনেহ'লে সহজেই সকলো হৈ যাব। অৰণ্যত নমাৰ আগে আগে অৰণ্যৰ পৰীয়াইঁতক তোমাৰ চিনাকি দিবা। আৰু মই দেউতালৈ পত্র এখন দিম, সেই পত্র তোমাৰ পোছাকত বা তুমি তোমাৰ লগত লৈ যোৱা টোপ্যোলাত লগাই থ'বা।"

উগ্রদত্তৰ প্রস্তাৱত সকলোটিয়েই ভাল পালে।

পাছদিনা উপজি পুৱাতে ওলাবলৈ তেতিয়াই যো-জা আৰম্ভ হৈ গ'ল। তাৰ পাছত কন্ধই উগ্রদত্তৰ থকা-মেলাৰ বাবে কোঠা এটা দেখুৱাই দিলে।

নিজৰ প্রাসাদৰ আগত চিন্তিত-ক্লান্ত-বিমর্ষ উগ্রাক্ষ বহি আছিল। এনেতে তাৰ অনুচৰ এটাই দৌৰি আহি তাক ক'লে, "চৰ্দাৰ! ইমান চিন্তা কিয় কৰিছে?"

"কিয় কৰিছোঁ—মানে?" উগ্রাক্ষৰ

আৰু খং উঠিল ক'লে, "মোৰ চিন্তাৰ কোনো হেতু নাই, নহয় ? তোমালোকৰ বাৰু মূৰেই বেয়া হ'ল নে পেট চলিল ?"

উগ্ৰাক্ষৰ ৰুদ্ৰমূৰ্তি দেখি তাত থিয় হৈ থকা ৰাক্ষসইঁত দমি গ'ল। এটাই ক'লে, "জ্বালাদ্বীপিয়া এটাই হেনো এই বেলাই-পোহৰেই আমাৰ অৰণ্যত নামিবলৈ চেষ্টা কৰি আছে। আমাৰ পৰীয়াহঁতে জাউৰিয়ে জাউৰিয়ে কাঁড় এৰি আছে। জ্বালা-দ্বীপিয়াটোৱে টোপোলা এটা তললৈ দলিয়াই পেলাই এতিয়াও অৰণ্যৰ ওপৰত সেই বিকট চৰাইৰ বহি পাক দি দি উৰি ফুৰিছে আৰু বাৰে বাৰে তাত নামিবলৈ চেষ্টা কৰিছে।"

উগ্ৰাক্ষই উগ্ৰমূৰ্তি ধৰি সুধিলে, "অ'ই শিয়ালৰ শিং দেখাটো—সেই শিপা-কটা জ্বালাদ্বীপিয়াটোৰ সেই টোপোলটো ক'ত আছে ? শীঘ্ৰে ক।"

"টোপোলাটো হেনো গছৰ ডালত ওলমি আছে । আমাৰ পৰীয়াহঁতে সেই টোপোলাটো উদ্ধাৰ কৰি আনিবলৈ চেষ্টা কৰি আছে। কিন্তু এতিয়ালৈকো উদ্ধাৰ কৰিব পৰা নাই।" ৰাক্ষস এটাই ক'লে।

"ব'লচোন—টোপোলাটো ক'ত কি অৱস্থাত আছে চাওঁগৈ।" উগ্ৰাক্ষই খোজ ল'লে অৰণ্যৰ পিনে।

টোপোলাটো যিঠাইত থকা বুলি অনুমান কৰা হৈছিল, সেই ঠাইত কিছুমান ৰাক্ষসে গোট খাই চিঞৰি আছিল আৰু সিহঁতৰ মূৰৰ ওপৰত পাক খাই খাই সেই বিকট ভয়ানক চৰাই এটা উৰি আছিল।

উগ্ৰাক্ষক দেখা পায়েই ভিৰ ফালি এটা ৰাক্ষস ওলাই আহিল। এই ৰাক্ষসটোৰ হাতত, আছিল এটা ৰঙীন টোপোলা আৰু টোপোলাটোৰ গাত লগোৱা এখন চিঠি। আটাইবোৰ ৰাক্ষস অনুচৰে আৰু লগতে উগ্ৰাক্ষয়ো সেই ৰং-বিৰঙৰ টোপোলাটোলৈ, বিশেষকৈ টোপোলাটোৰ গাত লাগি থকা চিঠিখনলৈ

অবাক দৃষ্টিৰে চাই থাকিল।

আৰু তাৰ পাছত চিঠিখন ঘুৰাই-পকাই তলা-ওপৰাকৈ চাই-চিঁতি উগ্ৰাক্ষই ক'লে, "মানুহৰ ভাষাত মানুহে লিখা চিঠিৰ মই কি বুজিম? হেৰা মানুহ, চিঠিত কি লিখা আছে পঢ়াচোন শুনো।" এই বুলি কৈ, কাষতেই ৰং চাবলৈ থিয় হৈ থকা মানুহ এজনক চিঠিখন দিলে।

এই চিঠিখনত লিখা আছিল:

'হে মহান নেতা, এই ভয়ংকৰ চৰাইৰ পিঠিত তিনিজন মানুহ বহি আছে, সেই মানুহ তিনিজন কিন্তু বাঘছালপিন্ধাহঁতৰ মানুহ নহয়।"



সিহঁতে যি পোছাক-পাতিৰ টোপোলা তললৈ বগৰাই পেলাইছে, তাৰ আঁৰত ভুৱাবাজীও থাকিব পাৰে। এইবোৰ অসম্ভৱো নহয়; কিন্তু এইবোৰক বিশ্বাস কৰাটোও টান। উগ্ৰাক্ষই ভাবিলে।

মানুহজনে গোটেই চিঠিখন পঢ়াৰ অন্তত উগ্ৰাক্ষক ক'লে, "এই চিঠিখন আপোনাৰ পুত্ৰ উগ্ৰদত্তই লিখা। চৰাইৰ পিঠিত বহি থকা এজনৰ নাম ৰুদ্ৰ আৰু আন দুজন হেনো ভালুকদলৰ। ভালুকদল হেনো আমাৰ মিত্ৰ।"

"আঁ—!" উগ্ৰাক্ষই কৈ উঠিল, "কেনে আচৰিত কাণ্ড! মোৰ পুত্ৰ—মোৰ উগ্ৰদত্ত এতিয়ালৈকো জীয়াই আছে! প্ৰথমৰে-পৰাই মোৰ ধাৰণা হৈছিল—সি নিশ্চয় এদিন উভতি আহিব। —কিন্তু সি বাৰু নিজে উভতি নাহি ৰুদ্ৰক পঠালে কিয়? যি হওক — তোমালোকে চৰাইটোক নামিবলৈ ইংগিত দিয়া।" মনত সংশয়-সন্দেহ লৈয়ো উগ্ৰাক্ষই তাৰ অনুচৰহঁতক নিৰ্দেশ দিলে।

উগ্ৰাক্ষৰ নিৰ্দেশ মতে চৰাইটোক তথা চৰাইটোৰ ওপৰত বহি থকাহঁতক তললৈ নামি আহিবলৈ ইংগিত দিয়াৰ লগে লগে চৰাইটোৱে তাৰ বিৰাট ডেউকা কোবাই নামি আহিল। আৰু নমাৰ



আৱশ্যক। আপুনি আমাক সহায় কৰক— উগ্ৰদত্তৰো এয়ে প্ৰাৰ্থনা।” মদ্ৰই ক’লে।

“এয়া দেখোন নাশ্ৰুত-নাভূত-কথা!” উগ্ৰাক্ষই খঙতে কোৱাৰ দৰে কৈ থাকিল, “মোৰ ল’ৰায়েই মোৰ ওচৰত সহায় প্ৰাৰ্থনা কৰিছে! সি মোৰপৰা পলাই যোৱাহেঁতেন মই তাক বিচাৰি অনাৰ বাবে শই শই ৰাক্ষসক পঠালোহেঁতেন। কিন্তু—এই অৰণ্য দেখোন তাৰেই। এই ৰাজ্যৰ গৰাকী তাৰ বাহিৰে আৰু নো কোন? সি কিয় প্ৰাৰ্থনা জনাব লাগে? মই এইবোৰ কথা-কাণ্ড একেবাৰে একো নাই বুজা।”

অলপ পাছত, উগ্ৰাক্ষ যেতিয়া ঠাণ্ডা হ’ল, তেতিয়া ৰুদ্ৰই তাক বুজাই ক’লে, “জ্বালাদ্বীপত দুটা দল আছে। এটা বাঘছালপিন্ধাদল, আনটো ভালুকদল— আমাৰ মিত্ৰ। ডিঙাত উঠি সেই জ্বালা-দ্বীপলৈ যাব লাগিব। দুই দিন-দুই নিশা একেৰাহে নাও বাই থাকিলে—জ্বালা-দ্বীপলৈ যাব পৰা হ’ব। আমাক বাট দেখুৱাই জ্বালাদ্বীপলৈ লৈ যাবলৈ ভালুক-দলৰ দুজন অনুচৰ আহিছে।” এই বুলি কৈ, ৰুদ্ৰই ভালুকদলৰ অনুচৰ দুজনৰ সৈতে উগ্ৰাক্ষক চিনাকি কৰাই দিলে।

তাৰ পাছত ৰুদ্ৰই জ্বালাদ্বীপলৈ পুনৰ

লগে লগেই উগ্ৰাক্ষই ৰুদ্ৰক মাতিলে আৰু ৰুদ্ৰয়ো একেলৰে উগ্ৰাক্ষৰ কাষ চাপিলহি।

উগ্ৰাক্ষই আনন্দতে ৰুদ্ৰক শূন্যলৈ দুৱাৰমান দলিয়াই থাপ মাৰি ধৰিলে আৰু তাৰ পাছত মাটিত থিয় কৰাই সুধিলে, “উগ্ৰদত্ত ভালে আছেনে? এতিয়া সি ক’ত আছে? তোমাৰ লগত সি নাহিল কিয়? মদ্ৰৰ খবৰ কি কোৱাচোন?”

“উগ্ৰ ভালেই আছে। কিন্তু—মদ্ৰ আৰু চন্দ্ৰসেনাক জ্বালাদ্বীপিয়াহঁতে ধৰি লৈ গ’ল। একপাদক হত্যা নকাৰলৈকে সিহঁতক উদ্ধাৰ কৰা সম্ভৱ নহ’ব। সেই বাবে — এতিয়া আপোনাৰ সহায়ৰ



গ'লগৈ; কিন্তু যোৱাৰ আগতে ভালুক-দলৰ অনুচৰ এজনক উগ্ৰাক্ষৰ ওচৰত থৈ গ'ল।

পাছদিনা, নিজৰ পাঁচশ অনুচৰ লগত লৈ, উগ্ৰাক্ষায়ো জ্বালাদ্বীপলৈ বুলি ৰাওনা কৰিলে। প্ৰায় সাতদিনমানৰ অন্তত সিহঁতে সাগৰ পালেগৈ। ৰাক্ষসহঁতে সিহঁতৰ জীৱনত আৰু কাহানিও সাগৰ দেখা নাছিল। সিহঁতে সীমাহীন জলৰাশিসম্পন্ন ইপাৰ-সিপাৰ নেদেখা সাগৰ দেখি সবিস্ময়ে ভাবিলেঃ এই সাগৰৰ তলী ক'ত? আমাক এনে এক তলৰ তলা-নলা নোপোৱা অঠাই পানীৰ বুকুলৈ লৈ অহাৰ নিশ্চয় কিবা গূঢ় উদ্দেশ্য আছে। সিহঁতে এনেবোৰ কথা কৈ থাকিল।

ৰাক্ষসহঁতৰ কোৱাকুই কাণত পৰাত উগ্ৰাক্ষই উগ্ৰমূৰ্তি ধৰি ক'লে "তোমা-লোকে গছেৰে নাও বা ভুৰ বনাই তাৰ ওপৰত উঠি সহজেই জ্বালাদ্বীপ পাব পাৰিবাগৈ। একো বিপদ নহ'ব।"

উগ্ৰাক্ষৰ কথাত ৰাক্ষসহঁতৰ বুকুলৈ পানী আহিল। সিহঁতে তেতিয়া বিৰাট বিৰাট গছ উভালি আনি দেখাত ভুৰৰ দৰে নাও বনালে। নাও বনোৱাৰ অন্তত সিহঁত যেতিয়া জ্বালাদ্বীপলৈ বুলি ৰাওনা কৰিবলৈ সাজু হ'ল, তেতিয়া চিত্ৰসেন ৰজাৰ দূত এজন তালৈ আহিল আৰু দূতৰ মুখে জ্বালাদ্বীপৰ অনেক বা-বাতৰি শুনি উগ্ৰাক্ষই বুজি পালে যে চিত্ৰসেনে এই ৰহস্যময় জ্বালাদ্বীপ সম্পৰ্কে বহুতো কিবাকিবি জানে।

চিত্ৰসেনৰ দূতে উগ্ৰাক্ষ ক'লে, "জ্বালা-দ্বীপিয়াহঁতে আপোনাৰ তোলনীয়া পুত্ৰক ধৰি লৈ যোৱা কথা শুনাৰেপৰাই আমাৰ মহাৰাজ আৰু মহাৰাণীয়ে পাটী লৈছে, শোকৰ সাগৰত উটিছে। কথা মাথোন সিমানেই নহয়, সামন্তৰাজ সুদৰ্শন-কন্যা চন্দ্ৰসেনাৰ বাবেও তেওঁলোক মুহ্যমান। ৰজা সুদৰ্শনে দুষ্ট দেশদ্ৰোহী নাগবৰ্মাৰ

বিৰুদ্ধে আমাক প্ৰচুৰ সহায় কৰিছিল আৰু তেওঁ মহাৰাণীৰ আত্মীয়। ৰাজকুঁৱৰী চন্দ্ৰসেনাৰ সৈতে যুৱৰাজৰ বিবাহ হ'লে সকলোফালৰেপৰাই মংগল হ'ব।"

দূতৰ কথা শুনি উগ্ৰাক্ষৰ উগ্ৰ খং উঠিল। সি টাঙোনেৰে দূতক এমাৰ মাৰিব বুলি ভাবিও সংযত হৈ ক'লে, "তুমি কাক যুৱৰাজ বুলি কৈছা? তুমি যাৰ কথা কৈছা, সেইজনৰ নাম হ'ল উগ্ৰদত্ত। সি মোৰ ল'ৰা। মোৰ ল'ৰাৰ কথাত তোমালোকৰ ৰজা-ৰাণীৰ ইমান দুখ-শোক কিহলৈহে? আৰু সেই সুদৰ্শন বোলাটো কোন? মই চিনিকে নাপাওঁ দেখোন। কাৰ সৈতে কাৰ যোৰা পতা হ'ব—তাৰ বুজ মইহে ল'ম, আন কোনেও মাত নমতাই ভাল। তুমি এতিয়া পোনে পোনেই গুচি যোৱাগৈ।"

মহাৰাজ চিত্ৰসেনৰ দূত উভতি গ'ল। আৰু ৰাক্ষসহঁতে নাৱত উঠি জ্বালাদ্বীপলৈ বুলি যাত্ৰা কৰিলে। সিহঁতৰ পথ-প্ৰদৰ্শক হিচাপে গৈ থাকিল ভালুকদলৰ সেই অনুচৰ।

এদিন এনিশা একেৰাহে নাও বাই বাই পাছদিনা বোৱাৰী পুৱাৰ পাছত সাগৰৰ বুকুত বেলি ওলোৱাৰ দৃশ্যই ৰাক্ষসহঁতক স্তম্ভিত কৰি পেলালে। সাগৰৰ বুকুৰপৰা যেনিবা লৌ লৌ কৰে জুই-শিখাহে ওলাইছে! আৰু কেইমুহূৰ্তমানৰ পাছত স্তম্ভিত-নিৰ্বাক ৰাক্ষসহঁতে সমস্বৰে চিঞৰি দিলে: "জ্বালাদ্বীপ! জ্বালাদ্বীপ! আমি জ্বালাদ্বীপ পাইছোঁহি !"

এনেতে আকাশৰ বুকু ফালি সোঁ-সোঁৱনিৰ শব্দ উঠিল আৰু কিবা এটা বিজুলী গতিৰে সিহঁতৰ পিনে আহি থাকিল। এই আহি থকাটো আছিল এটা ভয়ংকৰতম চৰাই। এই বিৰাট ভয়ংকৰ চৰাইটোৱে তাৰ বিশাল ডেউকা মেলি ৰাক্ষসহঁতৰ নাৱৰ ওপৰত পাক খাই খাই উৰি ফুৰিব ধৰিলে। [অহা সংখ্যাত অন্ত



গুণশেখৰৰ কাহিনী

প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল আৰু গছৰ ডালত ওলমি থকা শ'টো নমাই আনি, কান্ধত পেলাই লৈ নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা, ৰজাৰ প্ৰকৃত কৰ্তব্য নকৰি এটা মৃতদেহ কঢ়িয়াই কঢ়িয়াই কাৰোবাৰ পৰামৰ্শত যদি এনে অনাৱশ্যকীয় কাম কৰি আছা, তেনেহ'লে তোমাৰ জ্ঞানোদয়ৰ বাবে গুণশেখৰৰ কাহিনী কওঁ শুনা। মাজে-সময়ে পুৰণি দিনৰ কাহিনী সোঁৱৰাই দিয়াটো ভাল, তাৰে মানুহৰ বোধ শক্তি বৃদ্ধি হয়। আশা কৰোঁ তোমাৰো হ'ব।" এই বুলি কৈ, বেতালে ক'বলৈ ধৰিলে ঃ

অৱন্তীদেশৰ ৰজাৰ নাম আছিল

'বেতাল-কথা'

ৰাজ্যপাল, আৰু তেওঁৰ পুত্ৰৰ নাম আছিল শৌৰ্য্যপাল। যদিও নামত শৌৰ্য্য ; কামত আছিল সি নিৰ্বীৰ্য্য। একেবাৰে অপদাৰ্থ।

মন্ত্ৰী পুত্ৰ গুণশেখৰৰ সৈতে অজলা নিৰ্বীৰ্য্য শৌৰ্য্যপালৰ বন্ধুত্ব আছিল। গুণশেখৰ প্ৰকৃততেই গুণৱন্ত-বুদ্ধিমন্ত।

শৌৰ্য্যপালৰ নিৰ্বীৰ্য্যতা আৰু ধৈৰ্য্যহীন স্বভাৱৰ কথা ৰজা ৰাজ্যপালে উত্তমৰূপেই জানিছিল। সেইদেখি তেওঁ গুণশেখৰক কৈছিল,। "চোৱাঁ বোপা, তোমালোক পৰস্পৰ বন্ধু। একেলগেই ডাঙৰ-দীঘল হৈছা, পঢ়া-লিখা কৰিছা। যি কি নওহক, শৌৰ্য্যপাল যদি আগলৈ ৰজা হয়, তেনেহ'লে তুমি অৱশ্যেই তাৰ মহামন্ত্ৰী হ'বা আৰু তাক বুদ্ধি-পৰামৰ্শ দিবা।" এই কথা শুনি গুণশেখৰে সন্মানিতহে বোধ কৰিলে, আৰু তেতিয়াৰেপৰাই গুণশেখৰে শৌৰ্য্যপালক সুপৰামৰ্শ দিবলৈ ধৰিলে, সাহস যোগাবলৈ ধৰিলে। গুণ-শেখৰে শৌৰ্যপালক ৰাজনীতিৰ শিক্ষাও দিছিল। কিন্তু গুণশেখৰৰ এনেবোৰ চেষ্টা-প্ৰচেষ্টাই একো গুণ নিদিয়া হ'ল, সকলো যেনিবা অৰণ্যত ৰোদনহে হ'লগৈ। শৌৰ্য্যপালে গুণশেখৰৰ কোনো কথা কাণতো নোতোলা হ'ল।

এনেতে গান্ধাৰদেশৰ ৰজা সিংহবলে অৱন্তীদেশৰ ৰজা ৰাজ্যপাললৈ দূত প্ৰেৰণ কৰি তেওঁৰ কন্যা কল্যাণলতিকাৰ বিবাহৰ বাবে নতুন ধৰণৰ স্বয়ম্বৰ সভা পতাৰ কথা জনালে। তিনি ধৰণৰ পৰীক্ষা গ্ৰহণ কৰা হ'ব, আৰু একমাত্ৰ উত্তম ক্ষত্ৰিয়সকলেহে এই নতুন ধৰণৰ স্বয়ম্বৰত যোগদান কৰিব পাৰিব।

ৰজা ৰাজ্যপাল বিৰ্মষ হ'ল। তেওঁৰ পুত্ৰ যে এইবোৰৰ লায়ক নহয়, জানে তেওঁ।

কিন্তু কল্যাণলতিকাৰ চিত্ৰ চাই ৰূপমুগ্ধ শৌৰ্য্যপালে তাৰ বন্ধু গুণশেখৰক ক'লে, "ব'লা, আমিগান্ধাৰদেশৰৰাজধানী গাৰ্গেয়পুৰলৈ যাওঁ ব'লা। মই ৰাজকুঁৱৰী

কল্যাণলতিকাক নিশ্চয় বিয়া কৰাম।"

"পৰীক্ষাৰ বিবৰণ নাজানি-নুশুনি তালৈ যোৱা অৰ্থহীন।" গুণশেখৰে ক'লে।

"সেই কাৰণেহে তোমাকো লগত ল'ম, নহ'লে মই অকলেই গুচি গ'লোহেঁতেন। তুমি মোক সহায় কৰিবা।"

"কিন্তু— " গুণশেখৰে দ্বিধান্বিত হৈ ক'লে, "মহাৰাজৰ অনুমতি বিনে যোৱাটো ঠিক হ'বনে?"

"দেউতাৰপৰা অনুমতি ল'বলৈ হ'লে— তেওঁ কদাপি মান্তি নহ'ব।"

তাৰ পাছত—দ্বিধাযুক্ত মনেৰেই গুণশেখৰ গ'ল গাৰ্গেয়পুৰলৈ, তাৰ বন্ধুক লগত লৈ, আৰু কেনে ধৰণৰ পৰীক্ষা লোৱা হ'ব, সেই কথাও খৰচি মাৰি জানি ল'লে।

এটা অট্টালিকাত থকা তিনিটা কক্ষত তিনিবিধৰ পৰীক্ষা লোৱা হ'ব।

প্ৰথম পৰীক্ষা হ'ল: অসংখ্য সাপৰ মাজেদি খোজ কাঢ়ি যাব লাগিব দ্বিতীয় কক্ষলৈ। দ্বিতীয় কক্ষৰ দুৱাৰমুখত এগৰাকী মহিলা থিয় হৈ থাকিব, সেই মহিলাই বিবাহপ্ৰাৰ্থীক ক'ব: 'মোক ক্ষমা কৰক। এই যে ভয়ংকৰ বিষধৰ সাপবিলাকৰ মাজেদি আহিল, সাপবিলাকে আপোনাৰ কিবা অনিষ্ট কৰিলেনে?' —এই প্ৰশ্নৰ সদুত্তৰ দিব পাৰিলেহে সেই মহিলাই দ্বিতীয় কক্ষৰ ভিতৰলৈ সোমাবলৈ দিব। দ্বিতীয় কক্ষৰ ভিতৰত বহি থাকিব দুজন ব্ৰাহ্মণ; কিন্তু দুজনৰ মাজত এজনহে প্ৰকৃত ব্ৰাহ্মণ। কোনজন প্ৰকৃত ব্ৰাহ্মণ, সেই কথা সঠিককৈ ক'ব পৰা হ'লেহে তৃতীয় কক্ষৰ ভিতৰলৈ যোৱাৰ অনুমতি পোৱা হ'ব। তৃতীয় কক্ষৰ দেৱালত থাকিব এখন চিত্ৰ, কল্যাণলতিকাই আঁকা চিত্ৰ। চিত্ৰখনত আঁকা থাকিব এটা ঘোঁৰা। এই ঘোঁৰাটোৰ গাৰ বৰণ আধাখিনি বগা আৰু আধাখিনি ক'লা। এজন সুদৰ্শন পুৰুষ ঘোঁৰাটোৰ পিঠিত বহি থাকিব। এই

পুৰুষজনে ঘোঁৰাটোক এটা চলি থকা চকাৰ ওপৰলৈ যাবলৈ চেষ্টা কৰিব। এই বিশেষ চিত্ৰ দেখাজনে এযাৰ বাক্য ক'ব লাগিব। সেই বাক্যযাৰ শুনি তুষ্ট হ'লেহে তাত পৰ দি থকা পৰীয়াই প্ৰাৰ্থীজনক ৰাজকুঁৱৰীক ল্যাণলতিকাৰ ওচৰলৈ লৈ যাব।

এইবোৰ কথা ধৈৰ্য্যৰে শুনাৰ অন্তত গুণশেখৰে কিছু সময় ধৰি শৌৰ্য্যপালক ক'লে, "বুজিছানে বন্ধু, সাপবিলাকৰ ভালেমানেই হ'ব বিষ নথকা সাপ। আৰু যিওবা দুই-এটা বিষথকা সাপ থাকিব, সেইকেইটাৰো বিহদাঁত নিশ্চয় নোহোৱা কৰিহে তাত থৈ দিয়া হ'ব।"

এই বুলি কোৱাৰ অন্তত—আন কক্ষ দুটালৈ গৈ কি কি কৰিব লাগিব, শৌৰ্য্যপালক গুণশেখৰে বিতংকৈ বুজাই ক'লে।

প্ৰথম কক্ষটোত সোমোৱাৰ লগে লগেই শৌৰ্য্যপালে ধাৰৰ নল কঁপা দি কঁপিবলৈ ধৰিলে। কিন্তু তথাপি ঢলং-পলংকৈ কেনেবাকৈ সৰ্পকক্ষ পাৰ হৈ দ্বিতীয় কক্ষৰ দুৱাৰমুখত ৰ'লগৈ সি। তাত ৰৈ থকা ৰাজকুঁৱৰীৰ সখিয়েকে শৌৰ্য্যপালক সুধিলে, "ক্ষমা কৰিব, মই আপোনাক কথা এটা সুধিম। সৰ্পকক্ষৰ মাজেদি আহোঁতে সাপবিলাকে আপোনাৰ কিবা অনিষ্ট কৰিলেনে?" শৌৰ্য্যপালে বৰকৈ মূৰ জোকাৰিলে। সি ক'লে, "সাপে মোৰ কি কৰিব? সাপেহে মোক দেখি বাপ বাপ সুঁৰৰিলে।" সখিয়েকে শৌৰ্য্যপালক নমস্কাৰ কৰি দ্বিতীয়কক্ষৰ ভিতৰ সোমাবলৈ ক'লে।

দ্বিতীয় কক্ষৰ ভিতৰত জপৰ মালা হাতত লৈ বহি থকা ব্ৰাহ্মণ দুজনলৈ চাই শৌৰ্য্যপালে বীৰ্য্যৱানৰ ভাও দি কৈ উঠিল, "পৰীক্ষাৰ বাবে হওক, বা ৰাজকুঁৱৰীৰ-পৰা পা-পইচা পোৱাৰ বাবে হওক, যিটো অব্ৰাহ্মণ পৰমপূজ্য প্ৰকৃত ব্ৰাহ্মণগৰাকীৰ কাষত বহি আছে, তাক মোৰ দেশত লগ পোৱাহেঁতেন, তাক নিশ্চয় মই দুছোৱা

কৰি পেলালোহেঁতেন।"

এই কথা শুনিয়েই অব্ৰাহ্মণৰ মুখখন শেঁতা পৰিল, আৰু দ্বিতীয়জনলৈ আঙুলিয়াই শৌৰ্য্যপালে তৃতীয় কক্ষৰ পৰীয়াক ক'লে, "সৌজন প্ৰকৃত ব্ৰাহ্মণ।"

আৰু লগে লগে তৃতীয় কক্ষৰ পৰীয়াই শৌৰ্য্যপালক নমস্কাৰ কৰি তৃতীয় কক্ষৰ ভিতৰলৈ সোমাবলৈ দিলে। তৃতীয় কক্ষৰ দেৱালত ওলমি থকা চিত্ৰখনলৈ চাই, অবাক হোৱাৰ ভাও জুৰি, শৌৰ্য্যপালে নিজক কোৱা দি ক'লে: "এই চকাটো এটা প্ৰতীক। এই চকাটোক কালচক্ৰ বুলি ক'ব পাৰি। এই কালচক্ৰয়েই মানুহক সুখে-দুখে আশা-ভৰসা দিয়ে। এই চক্ৰতে আছে ভূত-ভবিষ্যৎ। ৰাজকুঁৱৰীৰ ইচ্ছাও এই চক্ৰতে প্ৰতিফলিত।"

শৌৰ্য্যপালৰ কথা শুনি প্ৰহৰীয়ে নমস্কাৰ কৰি ক'লে, "আপুনি অনুগ্ৰহ কৰি কাষৰীয়াৰ কক্ষটোৰ ভিতৰলৈ যাওক।

এই কক্ষত ৰাজকুঁৱৰী কল্যাণলতিকা দুগ্ধফেননিভি শয্যাত শুই আছিল। ইতিমধ্যেই তেওঁৰ শৌৰ্য্যপালৰ সফলতাৰ সম্বাদ পাইছিল! বাজকুঁৱৰীয়ে শৌৰ্য্যপালক সুধিলে, "আপুনি এই সভলতা আপোনাৰ নিজৰ বুদ্ধিৰে আৰ্জিছেনে আনৰ বুদ্ধিৰে—তাৰ পৰীক্ষা দিব লাগিব। এই পৰীক্ষাত উত্তীৰ্ণ হ'লেহে বিবাহ।"

"নহ'লে?" অধৈৰ্য্য শৌৰ্য্যপালে সুধিলে।

"নহ'লে বাধাৰ সৃষ্টি হ'ব পাৰে।"

"কোনে বাধা দিব—?" শৌৰ্য্যপালে চিঞৰিয়েই সুধিলে।

ৰাজকুঁৱৰী কল্যাণলতিকাই তথাপি নম্ৰ আৰু সংহাভাৱে ক'লে, "বাধা দিব—আমাৰ ডাঙৰসকলে, দেউতাই।" এখন্তেক বৈ, দাঁত কৰচি থকা শৌৰ্য্যপালক কল্যাণলতিকাই পুনৰ ক'লে, "আপোনাৰ আচৰণ যদি সত্য আচৰণ তেনেহ'লে কোনো চিন্তা নাই; কিন্তু আপোনাৰ আচৰণ যদি মিথ্যা—অৰ্থাৎ, আপুনি যদি আনৰ বুদ্ধিৰে

উত্তীৰ্ণ হৈ নিজৰ ক্ষমতা জাহিৰ কৰিছে, তেনেহ'লে আপুনি কঠোৰ ৰাজদণ্ডেৰে দণ্ডিত হ'ব।"

এই কথা শুনি উগ্ৰ খঙতে শৌৰ্য্যপালে কৈ উঠিল, মোক এইদৰে অপমান কৰাৰ প্ৰতিশোধ মই নিশ্চয় ল'ম। মই বিৰাট সৈন্যবাহিনী লৈ তোমালোকৰ দেশ আক্ৰমণ কৰিম, তোমাৰ দেউতাৰাক যুদ্ধত পৰাজিত কৰিম, আৰু তোমাকো জোৰ কৰি ধৰি লৈ যাম।"

ৰাজকুঁৱৰী কল্যাণলতিকাই মিচিকীয়াই হাঁহি ক'লে, "আপুনি আপোনাৰ বন্ধু গুণশেখৰৰ বুদ্ধিৰে এই সফলতা অৰ্জা নাই বুলি দৃঢ়তাৰে ক'ব পাৰিবনে?"

ৰাজকুঁৱৰীৰ এই কথা শুনি শৌৰ্য্যপাল হতবাক হৈ পৰিল। তাত নিৰ্বাক হৈ থিয় হৈ থকা শৌৰ্য্যপালক ৰাজকুঁৱৰীয়ে ক'লে, "আপুনি আপোনাৰ বন্ধু গুণশেখৰক ইয়ালৈ এতিয়াই পঠাই দিয়কগৈ। মই তেওঁৰ কাৰণে ৰৈ আছোঁ বুলি ক'ব।"

আৰু ৰাও নাকাঢ়ি, তলমূৰ হৈ কক্ষৰপৰা ওলাই গৈ, শৌৰ্য্যপালে গুণশেখৰক ক'লেগৈ এইবোৰ বা-বিবৰণ। ধৈৰ্য্যৰে সকলো কথা শুনাৰ অন্তত গুণশেখৰে ক'লে, "বন্ধু, তুমি এতিয়াই ৰাজধানীলৈ ৰাওনা হোৱা, মই পাছত যাম।" এই বুলি কৈ, শৌৰ্য্যপালক অৱন্তীদেশলৈ পঠিয়াই, গুণশেখৰ ৰাজকুঁৱৰী কল্যাণলতিকাৰ কাষ চাপিল।

বুদ্ধিদীপ্ত গুণশেখৰৰ মুখলৈ চাই ৰাজকুঁৱৰী মুগ্ধ হৈ পৰিল। তাৰ পাছত ৰাজকুঁৱৰীয়ে গুণশেখৰক ক'লে, "তিনিওটা পৰীক্ষাত আপুনি সফলতাৰে উত্তীৰ্ণ হৈছে। এতিয়া—অনুগ্ৰহ কৰি মোক গ্ৰহণ কৰক।"

গুণশেখৰে মৃদুকৈ হাঁহি মাৰি ক'লে, "মই তো প্ৰতিযোগিতা কৰা নাছিলোঁ!"

এই কথা শুনি কল্যাণলতিকাই সলাজ হাঁহিৰে মুখখন উজলাই কক্ষৰপৰা ওলাই গ'ল।

এই সলাজ হাঁহিৰ সৰল অৰ্থ কি হ'ব পাৰে—গুণশেখৰে ভাবি থাকিল। অলপ পাছত গুণশেখৰ অৱন্তীদেশলৈ গুচি গ'ল।

তাৰ পাছত, শৌৰ্য্যপালক লগত লৈ ৰজা ৰাজ্যপালৰ কাষ চাপিল।

গুণশেখৰ আৰু শৌৰ্য্যপালৰ কথা বেলেগে বেলেগে শুনাৰ পাছত ৰাজ্যপালে গুণশেখৰক ক'লে, "গুণশেখৰ, কালিলৈ তুমি আৰু মই চিকাৰলৈ ওলাম। সাজু হৈ থাকিবা।"

পাছদিনা উপজি পুৱাতে দুয়ো চিকাৰলৈ ওলাল। গৈ গৈ গভীৰ অৰণ্য পাই হঠাৎ ৰজা ৰাজ্যপালে খাপৰপৰা তৰোৱাল উলিয়াই গুণশেখৰক প্ৰচণ্ডভাৱে আক্ৰমণ কৰিলে।

লগে লগে গুণশেখৰেও চকুৰ পচাৰ নোপৰোঁতেই বিজুলী গতিৰে ৰজাৰ হাতখনত লৌহশক্তিৰে থাপ মাৰি ধৰি ৰজাক ৰখালে। এনেহেন ঘটনাৰ বাবে গুণশেখৰ যেনিবা আগৰেপৰাই সাজু হৈয়েই আছিল। গুণশেখৰে ৰজা ৰাজ্যপালক ক'লে, "মহাৰাজ, আপোনাৰ পুত্ৰ বুদ্ধিহীন বুলি মই ৰাজকুঁৱৰীক কোৱা নাছিলোঁ। ৰাজকুঁৱৰী কল্যাণলতিকাই নিজেই তেওঁৰ বুদ্ধিৰ তীক্ষ্ণতাৰে সেই কথাটো বুজি পাইছিল। শৌৰ্য্যপালক হেয় কৰি মোৰ কোনো স্বাৰ্থপূৰণ নহ'ল-হেঁতেন।" এই বুলি কৈয়েই গুণশেখৰে ৰজাক ঠেলা মাৰি তললৈ বগৰাই পেলাই ঘোঁৰাত উঠি তীব্ৰ গতিৰে তাৰপৰা তৎক্ষণাৎ গুচি গ'ল।

গুণশেখৰে পোনে পোনেই গান্ধাৰ দেশৰ ৰাজধানী গাৰ্গেয়পুৰ পালে আৰু তৎক্ষণাৎ ৰাজকুঁৱৰীক লগ কৰি ক'লে, "মই তোমাক গ্ৰহণ কৰিবলৈ সন্মত।"

তাৰ পাছত, গুণশেখৰৰ সৈতে মহা ধুমধামেৰে কল্যাণলতিকাৰ বিবাহ হ'ল। আৰু বিয়াৰ কিছুদিনৰ পাছত, এক বিৰাট

সৈন্যবাহিনীৰ সহায়ত গুণশেখৰে অৱন্তীদেশ আক্ৰমণ কৰি অধিকাৰ কৰিলে।

এই কাহিনী কোৱাৰ অন্তত বেতালে ৰজা বিক্ৰমাদিত্যক সুধিলে, "হে ৰজা, বুদ্ধিমন্তাৰ ফালৰপৰা ৰাজ্যপাল আৰু শৌৰ্য্যপালৰ মাজত দেখোন আকাশ-পাতালৰ প্ৰভেদ। ইপিনে—শৌৰ্য্যপাল আছিল গুণশেখৰৰ পৰম বন্ধু। তথাপি গুণশেখৰে অৱন্তীদেশ আক্ৰমণ কৰি সিংহাসন অধিকাৰ কৰিলে কিয়? আৰু ৰাজকুঁৱৰীৰ প্ৰস্তাৱমতে গুণশেখৰে যেতিয়া বিবাহত তাৰ অক্ষমতা তথা অসন্মতিৰ ইংগিত দিছিল, তেতিয়া ৰাজকুঁৱৰী কল্যাণলতিকাই ৰহস্যময় হাঁহি মাৰিছিল কিয়? মোৰ এই প্ৰশ্নৰ উত্তৰ সঠিককৈ নিদিলে তোমাৰ হৃদপিণ্ড বিদীৰ্ণ হ'ব।"

বেতালৰ এই প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিত্যই ক'লে, "ৰাজ্যপাল আৰু শৌৰ্য্যপাল— দুয়োজনেই আছিল বুদ্ধিহীন। পুত্ৰৰ ব্যৰ্থতাৰ ফলত ক্ৰুদ্ধ হৈ ৰাজ্যপালে গুণশেখৰক হত্যা কৰিবলৈকো পিছ নুহুঁহকিছিল — অথচ এই গুণশেখৰৰ ওপৰত নিজৰ পুত্ৰৰ ভাল-বেয়াৰ দায়িত্ব অৰ্পিছিল তেওঁ। পিতা-পুত্ৰৰ অপাৰ নিৰ্বুদ্ধিতালৈ লক্ষ্য কৰি, অৱন্তীদেশৰ মংগলৰ কথা চিন্তিয়েই গুণশেখৰে অৱন্তীদেশ অধিকাৰ কৰি মূৰ্খ ৰজাৰ কবলৰপৰা প্ৰজাবৰ্গক ৰক্ষা কৰিছিল। ৰজা ৰাজ্যপালো যে তেওঁৰ পুত্ৰ শৌৰ্য্যপালৰ নিচিনাই নিৰ্বোধ, সেই কথাটো ৰাজকুঁৱৰী কল্যাণলতিকাই আগৰেপৰাই জনা হেতুকে গুণশেখৰৰ কথা শুনি ৰহস্যময়ভাৱে হাঁহিছিল। কল্যাণলতিকাৰ ৰহস্যময় হাঁহিয়েই আছিল গুণশেখৰৰ ভৱিষ্যৎ-চিন্তাৰ পোহৰ।

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

আমাৰ দেশৰ বিচিত্ৰ কথা

হাম্পি

চতুৰ্দশ শতিকাত নিৰ্মিত হাম্পি নগৰ বেংগলুৰু অৰ্থাৎ বেংগালোৰ চহৰৰপৰা ৪০০ কিলোমিটাৰ দূৰৈত তুংগভদ্ৰা নৈৰ তীৰত অৱস্থিত আছিল। পৰৱৰ্তীকালত এই নগৰ বিজয়নগৰ সাম্ৰাজ্যৰ ৰাজধানী হিচাপে খ্যাতি লাভ কৰিছিল।

ৰাজকোঁৱৰ হৰিহৰ ৰায়ে বিদ্যাৰত্নস্বামীক দৰ্শনৰ অন্তত চিকাৰলৈ অৰণ্যলৈ গৈ এঠাইত চিকাৰী কুকুৰক শহাপহুৱে খেদা বুলি কোৱাত বিদ্যাৰত্নই তাতে ৰাজধানী পাতিব বুলি সিদ্ধান্ত ল'লে।

বিদ্যাৰত্নস্বামী ধ্যানমগ্ন হ'ল আৰু হৰিহৰৰায় আৰু তেওঁৰ সহোদৰ বুক্কৰায়ক যাতে আৱশ্যকীয় ধন প্ৰদত্ত হয়, তাৰ বাবে দেৱী ভুৱনেশ্বৰীলৈ প্ৰাৰ্থনা কৰিলে। এই প্ৰাৰ্থনাৰ ফলস্বৰূপে এদিন হৰিহৰ আৰু বুক্কৰায়ৰ আগত স্বৰ্ণমুদ্ৰা বৃষ্টি ধাৰাৰ দৰে পৰিল।



প্ৰথমতে হৰিহৰৰায় আৰু পাছত বুক্কৰায়ে দেশ শাসন কৰিছিল। বিখ্যাত বৈয়াকৰণ সাৰণ আৰু তেওঁৰ সহোদৰ মাধৱাচাৰ্য্য এওঁলোকৰ আমোলত মন্ত্ৰীৰ পদ যোগ্যতাৰে অলংকৃত কৰিছিল।

বিজয়নগৰ সাম্ৰাজ্যৰ শাসকৰূপে কৃষ্ণদেৱৰায়ে যথেষ্ট খ্যাতি আৰ্জিছিল। ১৫০৯ চনৰপৰা ১৫২৯ চনলৈকে সাম্ৰাজ্য পৰিচালনা কৰি কৃষ্ণদেৱৰায়ে কেৱল শাসক হিচাপেই নহয়, সাহিত্যসেৱী কলাপ্ৰেমী হিচাপেও খ্যাত হৈছিল।
বিজাপুৰ আৰু বিদৰৰ ছুলতানইঁতে কৃষ্ণদেৱৰায়ৰ মহাৰজা উপবিপুৰুসসকলক আক্ৰমণ কৰিছিল। পাছত কৃষ্ণদেৱৰায়ে এই ছুলতানইঁতক সমুচিত শিক্ষা দিছিল কিন্তু প্ৰতিবেশী ৰাজ্যৰ সৈতে তেওঁৰ সুসম্পৰ্ক সদায়েই বজায় আছিল।
কিন্তু পাছত বিজাপুৰ, গোলকোণ্ডা, আহমদনগৰ আৰু বিদৰৰ সৈন্যইত লগ লাগি ১৫৬৫ চনত হাম্পি আক্ৰমণ কৰিছিল আৰু ধ্বংস কৰি পেলাইছিল।



এই ধ্বংসপ্ৰাপ্ত অট্টালিকা সমূহৰ মাজত অন্যতম হ'ল পাট্টাভিৰাম-দেৱালয়। ১৫৩০—৪২ চনত হাম্পিৰ অচ্যুতৰায় নিৰ্মিত এই দেৱালয় অদ্যাপি ধ্বংসপ্ৰাপ্ত অৱস্থাত সগৌৰৱে বিদ্যমান।

বালকৃষ্ণৰ মন্দিৰ ভিট্‌ঠল মন্দিৰ নামেৰে খ্যাত। ভাৰতবৰ্ষৰ তথা হাম্পিৰ এই মন্দিৰ অপূৰ্ব শিল্পনৈপুণ্যৰ চানেকী।





বিজয়নগৰৰ শিল্প-নৈপুণ্যৰ নিদৰ্শন হিচাপে লক্ষ্মী-নৰসিংহ মন্দিৰৰ অস্তিত্ব আজিকোপতি এক উজ্জল ঐতিহাসিক নিদৰ্শন স্বৰূপে মূৰ দাঙি থিয় হৈ আছে। অপৰূপ ভাস্কৰ্য্যৰ নগৰ হাম্পি আজিও শিল্পকলাৰ অমলিন সাক্ষ্য।



টেঙ্গুৰ লেঙ্গু

বহুকালৰ আগৰ কথা। জাপানদেশৰ এলেং গাঁৱত ওঁঠৰ পানীৰে ওঁঠ ভিজোৱা ওটোকা নামৰ এটা ওটা-ৰোকা আছিল। আৰু সি আছিল বৰ এলেহুৱা। এদিন সি দীঘল চুঙা এটা ক'ৰবাৰপৰা যোগাৰ কৰি আনি, চুঙাটোৰ মূৰত দূৰবীণৰ কাঁচ লগাই, বহু দূৰলৈ চাই পঠিয়ালে। আৰু লগে লগেই তাৰ চকুত পৰিল বতাহত উৰি থকা এটা বিৰাট টেঙ্গু ভূত!

সেই কালত, এই বিধ ভূতৰ কথা জাপানীহঁতে জানিছিল, আৰু কোনো জাপানীয়ে ভুলতো টেঙ্গুভূতৰ কাষকে নাচাপিছিল। কিয়নো, এই পংগু যেন বোধ হোৱা টেঙৰৰো টেঙৰ; টেঙ্গুভূতবোৰ আছিল অতি বিপদজনক ভূত।

দূৰবীণৰ মাজেদি ওটোকাই দেখা পোৱা টেঙ্গুভূতটোৰ নাকটো আছিল মস্ত দীঘল। আৰু তাৰ কাণত আছিল দুখন ইয়াডাঙৰ ডেউকা। আৰু তাৰ গাত আছিল এটা খেৰী চোলা।

টেঙ্গুভূতৰ নাক নহয়, কাণ নহয়, এই খেৰী চোলাটো দেখি ওটোকাৰ চকু ঢেলুকা-ঢেলুক হ'ল। এইটোনো কেনেকুৱা চোলা? সি ভাবিলে।

তাৰ পাছত সি এই চোলাটো কেনেকৈ নিব পাৰিব—ভাবি থাকিল। এই খেৰী চোলাটো যেনে-তেনে ওটোকাক লাগেই। সি ভাবিলেঃ এই খেৰী চোলাটো যদি সৰকাব নোৱাৰোঁ, তেনেহ'লে এই জীৱনৰ আৰু কি দাম?

টেঙ্গু-ভূতটোৰে যেতিয়া খেৰী চোলা

গাত লৈ আকাশৰপৰা নামিবলৈ ধৰিলে, তেতিয়া ওটোকাই কৈ উঠিল, "আহাহা-হা-হা! কেনে যে বঢ়িয়া দিশ্য!"

ওটোকাৰ কথাষাৰ টেঙ্গুভূতৰ কাণত পৰিল। টেঙ্গুভূতটোৱে ভাবিলে: তাৰ এই কথাৰ গুৰিকথা কি বাৰু? সি ওটোকাৰ কাষ চাপি আহি সুধিলে, "হেৰা, কি দেখি তুমি ইমান ভাল পাইছানো? মোকো দেখুৱাবানে?"

যদিও জাপানীহঁতে টেঙ্গুভূতক যম দেখা দি দেখে, আৰু ওটোকায়ো ভিতৰি ভিতৰি কঁপে, তথাপি, ওটোকাই দম্ফি মাৰি কোৱাৰ দৰে ক'লে, "ইমান কষ্ট কৰি এই যে দূৰবীণ বনাইছোঁ, তোমাৰ কাৰণেনে? এই দূৰবীণৰ মাজেদি জোনাবাইক দেখিলে কিম্মান যে ধুনীয়া দেখি—জানানে কিবা?"

ওটোকাৰ কথাৰ বৰ ভালকৈ টিকা নোপোৱা টেঙ্গুভূতে ওটোকাক ক'লে, "মোক যদি তুমি দূৰবীণৰ মাজেদি জোনাবাইক দেখিবলৈ দিয়া, মই তোমাক মোৰ জোতাযোৰ দিম। লগতে মোৰ টুপিটোও দিম বাৰু।"

কিন্তু টেঙ্গুৰ এনে অসাৰ প্ৰস্তাৱত ওটোকা একেবাৰে মান্তি নহ'ল।

আৰু শেহান্তৰত—ঢেৰ ঢেৰ দৰ-দাম কৰি কৰি, ভূতটোৰ খেৰীচোলাটোৰ বিনিময়ত দূৰবীণটো টেঙ্গুভূতক দিয়েই ওটোকাই তাৰপৰা পৰা পলাই পত্ৰং দিলে।

গৈ গৈ যেতিয়া টেঙ্গুভূতে আৰু ঢুকি নোপোৱা ঠাইলৈ গ'ল বুলি ভাবিলে ওটোকাই, তেতিয়া পট্‌কৈ খেৰীচোলাটো পিন্ধি ল'লে। আৰু লগে লগে সি হৈ পৰিল এক অদৃশ্য মানুহ!

কিন্তু অদৃশ্য মানুহ হোৱাত ওটোকা নদমিল; সি ৰংহে পালে। আৰু তাৰ পাছত, সি টেঙ্গুভূতৰ দৰেই বতাহতে উটি-ভাহি সেউজীয়া গছে-বনে ভৰপূৰ তাৰ মৰমৰ গাঁও পালেগৈ।

গাঁও পায়েই ওটোকাই ওপৰ-চাপৰ নাচাই নানান উৎপতীয়া কাম কৰি থাকিল। দোকানত সোমাই সি বস্তুবোৰহানি বাটলৈ দলিয়াই পেলালে, বন্দুৰাইঁতৰ মুখৰপৰা বোজবোৰ বগৰাই দিলে, আৰু যে কত কি নকৰিলে!

কোনে এনেবোৰ কাম কৰি আছে, তাৰ উৰাদিহ উলিয়াবলৈ বহুতেই নানান ধৰণে চেষ্টা কৰি থাকিল; কিন্তু ব্যৰ্থ হ'ল। অৱস্থা এনেকুৱা হৈ উঠিল যে—বাট-পথ এই অদৃশ্য ভূতৰ ভয়ত নিমাওমাও হৈ পৰিল। হঠাৎ দেখা গ'ল, বাটৰ সোঁমাজত এটা বিৰাট ওখ মানুহ থিয় হৈ আছে আৰু তাৰ কাষেদি গৈ থকাজনৰ কাণ মুচৰি দি মানুহটো আকৌ নিমিষতে নোহোৱা হৈ পৰিছে।

এনেতে, ভালেখিনি নতুন পোছাকপাতি কিনি লৈ এজন হালোৱা সেই বাটেদি আহি আছিল। হঠাৎ তাৰ কিনি অনা কাপোৰখিনি শূন্যত ভাহি থাকিল আৰু ভাহি ভাহি পৰিলগৈ গেৰেকনিত।

তাৰ পাছত এঠাইত কেইগৰাকীমান তিৰোতাই মাছ কিনি থাকোঁতে হঠাৎ এটা ডাঙৰ মিৰিকা মাছে চৰাই উৰা দি আকাশলৈ উৰা মাৰিলে। উৰি যোৱা মাছটোক ধৰিবলৈ জাঁপ মাৰি দিলে কেইজনমানে। আৰু লগে লগে মাছটো এজনৰ মুখৰ ভিতৰত সোমাই পৰিলহি।

এনেবোৰ আৰু ভালেমান উৎপতীয়া কাণ্ড কৰি কৰি, বৰকৈ ভাগৰি পৰি, ওটোকা এসময়ত ঘৰমুৱা হ'ল।

ঘৰ পাই, ঘৰৰ ভিতৰলৈ গৈ, সেই খেৰীচোলাটো সোলোকাই থৈ, তাৰ ঘৰত থকা পোছাক-পাতি পিন্ধিলে। ওটোকাক দেখি ওটোকাৰ মাক আচৰিত হ'ল, কিয়নো, ওটোকা কেতিয়া যে ঘৰত সোমাল তেওঁ গমকে নাপালে।

বদমাছিবোৰ কৰি ভাগৰি-জুগৰি অহা ওটোকাই পাটী লোৱামাত্ৰকে টোপনিত

লালকাল দিলে। আৰু তেতিয়া মাকৰ চকুত পৰি সেই খেৰী চোলাটো। মাকে ভাবিলেঃ ছেঃ, ওটোকাও যে! সি বাৰু বলিয়া হ'লনে কি? খেৰৰ চোলা কোনোবাই আৰু পিন্ধেনে?—তেওঁ খেৰী চোলাটোক জ্বলি থকা আখাত পেলাই দিলে আৰু খেৰীচোলা পুৰি ছাই হৈ গ'ল!

কিন্তু টোপনিৰপৰা সাৰ পাইখেৰী-চোলাটো য'ত থৈ দিছিল তাত নেদেখি মাকক সোধাত মাকে চোলাটো পুৰি পুৰি পেলোৱাৰ কথাটো বুজাই ক'লে তাক। ওটোকাৰ উগ্ৰ খং উঠিল মাকৰ ওপৰত; কিন্তু পাছমুহূৰ্ততে সি ভাবিলেঃ চোলাটো পুৰি ভস্ম হ'ল বুলিয়েই যে তাৰ আৰু কোনো ক্ষমতা নাথাকিব তাৰ মানে নাই। সি খেৰীচোলাৰ ছাইৰ-পৰা কিবা এটা যেন বিচাৰি উলিয়ালে আৰু সেই অৱস্থাত তেতিয়াই পোনে পোনেই মদৰ দোকানলৈ গ'ল।

হঠাৎ দোকানীয়ে তাৰ মদৰ পিপাৰ ভিতৰত মানুহ এটাক দেখা পাই ভয় খাই চিঞৰি উঠিল। দোকানীৰ চিঞৰ শুনি ভয় খাই ওটোকা মদৰ পিপাৰপৰা ওলাই আহিল আৰু সি দোকানৰপৰা ওলাই পলাই যাবলৈ ধৰিলে। আত্ম-ৰক্ষাৰ বাবে ওটোকাই ডোবা এটাত জাঁপ দিলে। মদপীবিলাকে তাক ডোবাৰ-গেলাপানীৰ পৰা উঠাই আনিলে আৰু তেতিয়া ওটোকাই টেঙ্গুভূতৰ কথাবোৰ ভাঙি-পাতি ক'লে সিহঁতক।

এটা মদপীয়ে ওটোকাক ক'লে, "টেঙ্গুক ভাঁৰিলি আৰু তই খালি লেঙ্গু। টেঙ্গুক ভাবিলি হোজা, তই পালি মজা! টেঙ্গুভূতৰ কিনো হ'ল? তোৰেই লেংটি বেচা গ'ল!"

আন মদপীবিলাকে গিৰ্জনি মাৰি হাঁহি উঠিল আৰু লগে লগে ওটোকাৰ মুখখন টেমী যেন হৈ পৰিল।

কৃষ্ণাৱতাৰ

১

আদিকালত

কালনেমি নামৰ এক বিৰাট আকৃতিৰ দানৱ আছিল। তাৰ আছিল এশখন হাত, আৰু এশটা মুণ্ড। সি দেখাত আছিল পৰ্বতহেন আৰু ভয়ংকৰ। তাৰ শক্তিৰ জোখ-মাখ নাছিল। কালনেমিয়ে কঠোৰ তপস্যা কৰি ব্ৰহ্মাৰপৰা বৰ বৰ বৰলাভ কৰিছিল। এই ধুমক'লা দানৱটো আছিল লংকাধিপতি ৰাৱণৰ মোমায়েক।

সেই কালত দেৱতা আৰু দানৱহঁতৰ মাজত ঘনে-পাকে যুদ্ধ হৈছিল। কেতিয়াবা দেৱতা আৰু কেতিয়াবা দানৱহঁতো বিজয়ী হৈছিল। এবাৰ দেৱতাসকলে দানৱহঁতক অতি বেয়াকৈ হকুৱাই বিতাড়িত কৰিলে। তাৰ ফলত কালনেমি জুইহেন ক্ৰুদ্ধ হ'ল।

কালনেমিয়ে বিৰাট সৈন্যবাহিনীৰে ইন্দ্ৰক আক্ৰমণ কৰিলেগৈ। ভয়ংকৰ যুদ্ধ লাগি পৰিল উভয়পক্ষৰ মাজত। এফালে দেৱতা ইন্দ্ৰ, আনফালে দানৱ কালনেমি।

এইবাৰৰ যুদ্ধত কালনেমিয়ে ইন্দ্ৰক কেৱল পৰাজিত কৰিয়েই ক্ষান্ত নহ'ল, ইন্দ্ৰৰ নেতৃত্বত যুদ্ধ কৰিবলৈ অহা প্ৰত্যেক দেৱতাকে সমুচিত শিক্ষা দিলে। আৰু এই যুদ্ধত বিজয়ী হোৱাত তিনিও লোকতে কালনেমিৰ অধিকাৰ স্থাপিত হ'ল।

দেৱতাসকলৰ এনে শোচনীয় পৰাজয় দেখিও বিষ্ণু নীৰৱ-নিশ্চুপ হৈ থাকিল।

'কালনেমি-কথা'

কিয়নো, কালনেমিৰ মৃত্যুৰ তেতিয়াও যে বহু কাল আছে, সেই গূঢ় কথাটি বিষ্ণুৱে আগৰেপৰাই জানিছিল। বিষ্ণুৱে জানিছিল যে—সকলো কথা-কাণ্ডৰেই এটা সময়-অসময় আছে। মৃত্যুৰো সময়-অসময় আছে।

ইপিনে—দানৱ কালনেমিয়ে আনকি বিষ্ণুকো পৰাজিত কৰিবলৈ মন মেলিলে। কালনেমিয়ে বিষ্ণুক ক'লেগৈ, "তুমি আমাৰ মধুকৈটভহঁতক বধ কৰিছিলা। দৈত্যকুলচূড়ামণি হিৰণ্যকশিপুক নখেৰে ফালি পেলাইছিলা, বলিক ভৰিৰে হেঁচি পাতাললোকলৈ পঠাইছিলা। তোমাৰ কাৰ্য্যৰ ফলত অসংখ্য দানৱপত্নী বিধৱা হ'ল। এইবোৰ জঘন্য অপৰাধৰ বাবে মই তোমাক দণ্ডবিধান কৰিবলৈ আহিছোঁ। তুমি পাৰিলে আত্মৰক্ষা কৰাঁ।"

বিষ্ণুৱে হাঁহিৰ ৰেঙনিৰে সৈতে কালনেমিক ক'লে, "তুমি যি মন যায় ক'ব বা কৰিব পাৰা; কিন্তু মোৰ কোনো অনিষ্ট কৰাৰ ক্ষমতা তোমাৰ নহ'ব। আৰু প্ৰকৃত দানৱে কেতিয়াও দম্ভ প্ৰকাশ নকৰে। তোমাৰ নিজস্বতা কিবা আছেনে? একোৱেই নাই। ব্ৰহ্মাৰপৰা বৰলাভ কৰি তুমি বাহুডাঙ্ফি মাৰিছা। তোমাৰ অন্যায়-অত্যাচাৰৰ ফলত দেৱতাসকল নিৰাশ্ৰয় হৈ পৰিছে। গতিকে—মইহে তোমাক বধ কৰি দেৱতসকলক থানথিত লগাম বুলি ভাবিছোঁ। গতিকে—পাৰিলে তুমি মোৰপৰা আত্মৰক্ষাৰ চেষ্টা কৰাঁ!"

এই কথা শুনামাত্ৰেই কালনেমিয়ে তাৰ বিৰাট গদাটো গৰুড়লৈ দলিয়ালে। গৰুড়ৰ গাত সেই গদাই বজ্ৰায়ুধৰ দৰে আঘাত কৰিলেগৈ। বিষ্ণু হতবাক। তাৰ পাছত বিষ্ণুৱে নিজৰ আৰু গৰুড়ৰ দেহ বিৰাট আকৃতিৰ কৰি তুলিলে আৰু কালনেমিলৈ সুদৰ্শনচক্ৰ নিক্ষেপ কৰিলে। সুদৰ্শন চক্ৰৰ আঘাতেৰে কালনেমিৰ মুণ্ড এটাৰ পাছত আনটোকৈ টুকুৰা হৈ

পৰিল। হাতবিলাকো খণ্ড-বিখণ্ড হ'ল। কিন্তু তথাপি দানৱ কালনেমিৰ বিশাল দেহটো থিয় হৈ থাকিল। তেতিয়া গৰুড়ে তাৰ ডেউকা দুখন প্ৰচণ্ডভাবে কোবাই প্ৰলয় ধুমুহাৰ সৃষ্টি কৰি কালনেমিৰ দেহটো বগৰাই পেলালে।

আৰু ঠিক তেতিয়াই ভীত-সন্ত্ৰস্ত-অসহায় হৈ পৰা কালনেমিৰ অনুচৰহঁতকো বিষ্ণুৱে প্ৰচণ্ডভাৱে আক্ৰমণ কৰিলে। সিহঁত চাওঁতে চাওঁতে নিহত হ'ল।

তাৰ পাছত ব্ৰহ্মা, ইন্দ্ৰ, আৰু অন্যান্য দেৱতাসকলেও বিষ্ণুক হিয়া উবুৰিয়াই শলাগিলে আৰু পুষ্পবৃষ্টি কৰিলে।

বিষ্ণুৱে দেৱতাসকলক ক'লে, "মই দানৱ-হঁতক শেষ কৰিলোঁ। এতিয়া তোমালোকে নিজ নিজ স্থানলৈ উভতি যাব পাৰা। এতিয়াৰপৰা আৰু কেতিয়াও যজ্ঞত বিঘিনি নহ'ব। পিছে—শেষ কৰিলোঁ বুলিও বহুতো দানৱ এতিয়াও নথকা নহয়, ঢেৰ আছে। গতিকে—সিহঁতৰ ওপৰতো লক্ষ্য ৰাখিব লাগিব।"

অতঃপৰ বিষ্ণু গুচি গ'ল ক্ষীৰসমুদ্ৰলৈ। আৰু তাত শেষ নাগৰ কোলাত নিদ্ৰামগ্ন হ'ল অনন্তকালৰ বাবে।

বিষ্ণু শেষনাগৰ কোলাত নিদ্ৰাচ্ছন্ন হৈ থাকোঁতে সত্যযুগৰ সমাপ্তি হ'ল আৰু ত্ৰেতাযুগৰ শেষপৰ্বৰ আৰম্ভ হ'ল। তিমানতে পৃথিৱীৰ ভাৰ বৃদ্ধি হ'ল। পৃথিৱীয়ে তাৰ



কঢ়িয়াব নোৱৰা ভাৰ হ্ৰাস কৰিবলৈ বিচাৰিলে। পৃথিৱীয়ে দেৱতাসকলক খাটিলেগৈ। আৰু অগত্যা দেৱতাসকলে ব্ৰহ্মাক কৈ-মেলি বিষ্ণুৰ নিদ্ৰাভংগ কৰিলে।

সাৰ পাই, বিস্মিত বিষ্ণুৱে দেৱতা-সকলক সুধিলে, "কথানো কি? হঠাৎ মোৰ নিদ্ৰাভংগ কৰিলা কিহেতু? তোমালোকে ভালে-কুশলে আছানে? দানৱৰ অত্যাচাৰৰ ওৰ পৰিলনে?"

ব্ৰহ্মাই কৰযোৰে বিষ্ণুক ক'লে, "হে মহান! ৰাজন্যবৰ্গৰ মাজত কোনো ধৰণৰ দ্বন্দ্ব নাই, যজ্ঞাদিও সুকলমে চলি আছে, মানুহবিলাক পূৰ্ণ আয়ুসৰে জীয়াই আছে; কিন্তু পৃথিৱীয়ে ইমান ভাৰ বহন কৰিব নোৱৰা হৈছে। আমাৰ বিনম্ৰ প্ৰাৰ্থনা, তুমি মেৰু পৰ্বতলৈ গৈ যেনেকৈয়ে নহওক পৃথিৱীৰ ভাৰ লাঘৱ কৰিবলৈ চিন্তা কৰা।"

নিজৰ বয়-বস্তুখিনি সামৰি-সুতৰি লৈ, গৰুড়ৰ পিঠিত উঠি, বিষ্ণুৱে মেৰুপৰ্বতলৈ বুলি ৰাওনা কৰিলে। তাত বিশ্বকৰ্মাদেৱে সজা এটি ধুনীয়াৰো ধুনীয়া আলয় [ঘৰ] আছিল। বিষ্ণুৱে চাওঁতে চাওঁতে মেৰু পৰ্বত পালেগৈ। তাত, সেই আলয়ত, বিষ্ণুৱে উচ্চ সিংহাসনৰূপী বেদী এটাত উপবেশন কৰিলে আৰু যক্ষ, গন্ধৰ্ব, সিদ্ধ, শিক্ষাৰ্থি 'নাগ প্ৰমুখ নিজ নিজ নিৰ্দিষ্ট স্থানত বহিল।

এই সভাত ভূদেৱীও উপস্থিত হ'ল; কিন্তু ভূদেৱী আছিল বিষণ্ণ। ভূদেৱীৰ বিষণ্ণতালৈ লক্ষ্য কৰি সকলোটিয়েই এই হেতুৰ কথা সুধিলে। আৰু লগতে— এই সভাত তেওঁ কিয় উপস্থিত হৈছেহি; সেই কথাটিও সুধিলে।

ভূদেৱীয়ে ক'লে, "তোমালোকে নজনা কথা একোৱেই নাই, থাকিব নোৱাৰে। পৃথিৱীত ৰজা আৰু সেই অনুপাতে প্ৰজাৰ সংখ্যাও কিমান বাঢ়িছে নাজানানে? অবিলম্বে এই ভাৰ লাঘৱ নহ'লে মই

আৰু বহন কৰিব নোৱৰা হৈ পৰিছোঁ। এই বিষয়ে তোমালোকৰ বক্তব্য কি—তাকে জানিবলৈ মই ইয়ালৈ আহিলোঁ।”

তেতিয়া ব্ৰহ্মাক দেৱতাসকলে সুধিলে যে—সৃষ্টিকৰ্তা হিচাপে—পৃথিৱীৰ ভাৰ লাঘৱ কৰিবলৈ তেওঁ কিবা কৰিব পাৰিববনে নোৱাৰে।

এই কথা শুনি ব্ৰহ্মাই ক'লে ঃ

“এদিন সন্ধ্যাকালত সমুদ্ৰতীৰত বহি মই আৰু কশ্যপ মহাঋষিয়ে তত্ত্বালোচনা কৰি থাকোঁতে চন্দ্ৰোদয়ৰ সময়ত গংগা সংগমৰ ফলত সমুদ্ৰৰ জলৰাশি আকাশ-লংঘা হৈ উঠিল। আমি বহি থকা ঠাই-ডোখৰো জলমগ্ন হ'ল। মই হাঁহি হাঁহি সমুদ্ৰক কৈছিলো. 'এইবোৰ কি কৰিছা, অলপ শান্ত হোৱা।' তেতিয়া সমুদ্ৰই মানৱৰূপে গংগাৰে সৈতে আমাৰ আগত দণ্ডায়মান হ'ল। মই তেতিয়া ভৱিষ্যতৰ কথা কৈছিলোঁ, 'হে সমুদ্ৰ, তুমি যে শাসন কৰিব পাৰা সেই কথাত সন্দেহ নাই। তুমি পৃথিৱীত ৰজা হৈ জন্মগ্ৰহণ কৰা। মই তোমাক শান্ত হ'বলৈ কোৱাৰ লগে লগে শান্ত হোৱা হেতুকে তোমাৰ নাম হওক শান্তনু। তুমি গংগাক বিবাহ কৰি সুখেৰে জীৱনযাপন কৰি থাকাঁ।'

মোৰ কথাৰ উত্তৰত সমুদ্ৰই কৈছিল,

'প্ৰচণ্ড ধুমুহাত আৰু পূৰ্ণিমা-অমাবস্যাৰ ৰাতি আকাশলংঘা হৈ উঠাটোৱেই মোৰ ধৰ্ম। এই ধৰ্মৰ মাজত মোৰ দুৰ্বুদ্ধি নাই- এতেকে মোক অভিশাপ দিব কিয়?'

'বোপা, মই লোকহিতকৰ বাবে তোমাক এই কথা ক'লোঁ। তুমি পবিত্ৰ ভৰতৰ বংশত জন্মগ্ৰহণ কৰাঁগৈ। গংগাকো পৃথিৱীলৈ লৈ যোৱা আৰু বশিষ্ঠৰ সন্তানহঁতক শাপমুক্ত কৰাঁ। তাৰ পাছত সত্যৱতীৰ গৰ্ভত তোমাৰ দুই উত্তৰপুৰুষ উপজিব।' মই [ব্ৰহ্মা] কলোঁ।

“শান্তনুৰ পুত্ৰ বিচিত্ৰবীৰ্য্যৰ ধৃতৰাষ্ট্ৰ আৰু পাণ্ডু নামৰ দুই পুত্ৰ জনমিব ধৃতৰাষ্ট্ৰ



হ'ব এশ পুত্ৰৰ জনক আৰু পাণ্ডু হ'ব পঞ্চপুত্ৰৰ পিতৃ। ধৃতৰাষ্ট্ৰৰ এশ পুত্ৰৰ বিৰুদ্ধে পাণ্ডুৰ পঞ্চপুত্ৰই যুদ্ধ কৰিব আৰু এই যুদ্ধৰ হেতু হ'ব ৰাজত্ব। উভয় পক্ষয়েই যুদ্ধ কৰি সিংহাসন অধিকাৰ কৰিবলৈ চেষ্টা কৰিব। এই যুদ্ধত পৃথিরীৰ প্ৰতিগৰাকী ৰজা সাঙোৰ খাই পৰিব আৰু তেওঁলোক নিহত হ'ব। দানরহঁতৰো মৃত্যু হ'ব। লাখ-বিলাক হস্তী যুদ্ধক্ষেত মৰিব। অশ্ব আৰু সৈন্যহঁত যুদ্ধক্ষেত্ৰত পকৰা মৰাদি মৰিব। আৰু তাৰ ফলত ভূদেরীৰ ভাৰ লাঘর হ'ব। যুদ্ধলিপ্সু কলিৰ অংশ ধৃতৰাষ্ট্ৰৰ পত্নীৰ গৰ্ভত আৰু যমৰ অংশ পাণ্ডু-পত্নীৰ গৰ্ভত জন্ম ল'ব। তাৰোপৰি, বহু সংখ্যক দেরতাৰ অংশ মানুহৰ ৰূপত জন্ম ল'ব।'

ব্ৰহ্মাৰ এই কথা শুনি সকলো দেরতায়েই ব্ৰহ্মালৈ অভিনন্দন জ্ঞাপন কৰিলে। আৰু ঠিক তেতিক্ষণে তাত নাৰদ উপস্থিত হ'লহি।

নাৰদে মৃদুমন্দভারে বীণত আঙুলি ফুৰাই থাকোঁতে বিষ্ণুক ক'লে, "হে বিষ্ণু, ইয়াত পৃথিরীৰ ৰাজন্যবৰ্গৰ সংখ্যা হ্ৰাস কৰাৰ কথা আলোচিত হৈছে। তুমি যদি এই কাৰ্য্যৰ দায়িত্ব গ্ৰহণ নকৰা, এই কাৰ্য্য কাহানিও সফল হ'বনে? ভূমিলৈ তোমাৰ অংশ অরতৰণ নকৰালৈকে ইজনে সিজনৰ বিৰুদ্ধে যুদ্ধ কৰাৰ প্ৰেৰণা পাব ক'ৰপৰা? তুমি বিনে এই কাৰ্য্যৰ সুষ্ঠু সম্পাদন তথা দায়িত্ব বহন কোনেও কৰিব নোরাৰিব বুলিহে মোৰ ধাৰণা। কিয়নো, দেরাসুৰৰ যুদ্ধত তোমাৰ হাতত যিবোৰ দানর নিহত হৈছিল, সিহঁতেই মানরৰূপে পৃথিরীত জন্ম ল'লেগৈ। ৰামচন্দ্ৰৰ হাতত ৰারণৰ মৃত্যু হোরাৰ পাছত ৰারণৰ আত্মীয় মধুৰাক্ষসৰ পুত্ৰ লরণাসুৰক ৰামচন্দ্ৰৰ নিৰ্দেশক্ৰমে শত্ৰুঘ্নই নিহত কৰিছিল। তাৰ পাছত, শত্ৰুঘ্নই মধুবনক শত্ৰুমুক্ত কৰি মথুৰা নগৰী গঢ়ি তুলিছিল।

মথুৰাত বহুতো ৰজাই বহুকাল ধৰি ৰাজত্ব কৰিছে। সেই মথুৰাতে আগৰকালৰ দানৱ কালনেমি কংস ৰূপে ৰাজত্ব কৰি আছে। কংস হ'ল ভোজবংশৰ ৰজাৰ কোঁৱৰ। কংসই নিজৰ পিতৃক কাৰাগাৰত আৱদ্ধ কৰি থৈ সিংহাসন অধিকাৰ কৰিলে। কেৱল কংস নহয়, আগৰকালৰ বহুতো দানৱেই এই কালত পৃথিৱীত ৰজা হৈ ৰাজত্ব কৰি আছে। কালনেমিৰ ভৃত্যহঁতো কংসৰ ভৃত্যৰূপে কালিন্দীৰ তীৰত থকা বৃন্দাবন আৰু মথুৰাত ঘুৰি ফুৰিছে। গতিকে—এইবোৰ মানৱৰূপী দানৱহঁতক বিনাশ কৰিবলৈ হ'লে তাৰ দায়িত্ব তুমিয়েইহে ল'ব লাগিব। তুমি বিনে আন কোনো নাই—যিজনে এই দায়িত্ব কঢ়িয়াব পাৰিব।"

নাৰদৰ কথা শুনি বিষ্ণুৱে ব্ৰহ্মাক ক'লে, "নাৰদৰ পৰামৰ্শ মতে পৃথিৱীত মানৱৰূপে জন্মগ্ৰহণ কৰাত মোৰ আপত্তি নাই। কিন্তু মই ক'ত জন্মগ্ৰহণ কৰিম, সৃষ্টিকৰ্তাই সেই কথাটি কওক।"

সৃষ্টিকৰ্তা ব্ৰহ্মাই ক'লে, "বৰুণৰ যজ্ঞধেনু কশ্যপে বলপূৰ্বক হৰণ কৰিলে। কশ্যপ-পত্নী অদিতি আৰু সুৰভিয়ে ধেনুজনীক ওভোতাই দিয়াত বাধা দিলে। বৰুণে এই কথা মোক কোৱাত মই তেওঁলোকক মানৱজনম লোৱাৰ অভিশাপ প্ৰদান কৰিছিলোঁ। সেই কশ্যপেই সম্প্ৰতি বাসুদেৱৰূপে কংসৰ গাভীবিলাকক ৰক্ষণা-বেক্ষণ কৰি আছে। কশ্যপৰ পত্নীদ্বয়'এতিয়া বাসুদেৱৰ পত্নী। সেই পত্নী দুজনীৰ নাম যথাক্ৰমে দেৱকী আৰু ৰোহিণী। তুমি মোৰ দেহক দুই অংশত বিভক্ত কৰি বাসুদেৱৰ পত্নী দুজনীৰ মাজত অনুপ্ৰৱিষ্ট কৰোঁৱা।"

তাৰ পাছত বিষ্ণুৱে সভাভংগৰ ঘোষণা কৰি, সকলোটিৰপৰা বিদায় গ্ৰহণ কৰি, পুনৰ ক্ষীৰসমুদ্ৰলৈ উভতি গ'ল।



ঘোঁকা-জালি

এখন গাঁৱত দুজন গৰখীয়া। গৰখীয়া হ'লে কি হ'ব—সিহঁত দুজনৰ কথা গাঁৱৰ ৰাইজৰ মুখে মুখে। এজনৰ নাম ভৰ, আৰু আনজনৰ নাম নৰ। ভৰ আছিল সৎ; কিন্তু বুদ্ধিহীন। আৰু নৰ আছিল কূটৰ, ঘাই কন্দলবাজ আৰু টেঁঙৰ। টেঁঙৰো যে নোম-টেঁঙৰ। তাৰ ওচৰত এবাৰ ঠগ খোৱাজনে বাৰেপতি ঠগ খাইছিল, তথাপি—কিয় কোৱা নাযায়, সিহঁতে পুনৰ তাৰ কাষ চাপিছিল।

বুদ্ধিহীন ভৰ আছিল বুদ্ধিৰো দুখীয়া, পইচাৰো দুখীয়া। তাৰ কোনো ঘোঁৰাৰ গাড়ি বা ঘোঁৰা, আনকি গাধ এটাও নাছিল। এবাৰ ভৰই তাৰ বাৰীত ছমুখীয়া কচু আৰু কণীকচু ৰুইছিল আৰু সৰহকৈ হৈছিলও। কচুখিনি বেচিবলৈ হাটলৈ লৈ যাব লাগিব। গতিকে সি নৰৰপৰা তাৰ গাধটোক খুজিলে। কিন্তু নোমটেঁঙৰ নৰই ক'লে, "গাধটোক চৰণীয়া পথাৰত মেলি দিছিলোঁ, এতিয়া আৰু দেখোন বিচাৰিয়েই নোপোৱা হ'লোঁ। বিচাৰি নাপালেনো তোমাক হেৰি কি বোলেনে—দিম বুলি কথা দিওঁ কেনেকৈ?"

"কিন্তু—মইনো কৰোঁ কি? কাইলৈ কচুখিনি হাটলৈ লৈ যাবই লাগিব। নহ'লে মোৰ লোচকানেই লোচকান হ'ব।" ভৰই তাৰ বন্ধু নৰক ক'লে।

"চুবুৰীয়া গাঁৱত এজন মানুহৰ ঘোঁৰা এটা আছে অৱশ্যে। পিছে—মানুহজন বৰ লুভীয়া। যি কি নহওক, বিপদত পৰিছাই যেতিয়া, যোৱা তাৰ ওচৰলৈ। চোৱাঁগৈ, তাৰ ঘোঁৰাটো পোৱা যদি।"

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'



নৰই ভৰক সজ্জ পৰামৰ্শ দিলে।

ভৰ চুবুৰীয়া গাঁৱলৈ গ'ল আৰু সেই লোভী মানুহজনক ক'লেগৈ, "হেৰা, তোমাৰ ঘোঁৰাটো—এটা দিনৰ কাৰণে দিবানে মোক ?"

লুভীয়া মানুহটোৱে ক'লে, "ঘোঁৰা— দিম, নিদিম কিয় ? ঘোঁৰা দিবলৈহে খোঁৰাটো হৈ ঘৰতে আছোঁ। পিছে— ভাৰা দিব লাগিব।"

"মোৰ ওচৰত ফুটা কড়ি এটাও নাই। এটা দিনৰ বাবে তোমাৰ ঘোঁৰাটো এনেয়ে পাম বুলি ভাবিছিলোঁ।" ভৰই ক'লে।

"ওহোঁ, নহ'ব। এনেয়ে মই পোৱাও নাই, নিদিমো। মই মোৰ ঘোঁৰা ভাৰালৈ দিব পাৰোঁ। তুমি যদি মোক পোন্ধৰটা ৰঙালাও দিয়া, এদিন কাৰণে ঘোঁৰাটো দিম তোমাক।" লুভীয়াই ক'লে।

"এতিয়া—মোৰ ঘৰত বৰ বেছি পাঁচটামান ৰঙালাও আছে। বাদবাকী দহটা কিছুদিনৰ পাছত দিব পাৰিম।" ভৰই লুভীয়াক ক'লে।

"তেনেহ'লে এটা কাম কৰা। এতিয়া পাঁচটা ৰঙালাও দিয়া মোক। পাছত— যিদিনা আন দহটা দিবা, ঘোঁৰাটোও নিবা।" লুভীয়াই ক'লে!

ভৰই আৰু ভাবিব নোৱাৰিলে। সি তাৰ ঘৰৰপৰা ৰঙালাও পাঁচটা তৎক্ষণাৎ লুভীয়াক আনি দিলেগৈ।

কিন্তু পাছদিনা নৰই ভৰক ক'লেহি, হেৰাহে, মোৰ "গাধটো ফিৰি আহিল। তুমি এতিয়া নিব পাৰা।"

"এ—মই ভেৰোণীয়া ঘোঁৰা ল'লোঁৱেই নহয়—? আৰু ঘোঁৰাৱালাক ৰঙালাও পাঁচটা দিলোঁও।" ভৰই নৰক কথাখিনি গুৰিৰেপৰা বুজাই ক'লে।

সকলো কথা শুনাৰ অন্তত নৰই ভৰক ক'লে, "তুমি তোমাৰ ৰঙালাও কেইটা তাৰপৰা লৈ আহাঁগৈ। ঘোঁৰা তোমাক আৰু নালাগে বুলি ক'বা তাক।"

ভৰই ক'লে, "কিন্তু—সি ৰঙালাওকেইটা ঘূৰাই নিদিব যেন পাওঁ।"

"নিদিব ?—" নোমটেঙৰ নৰই জাঙুৰ খাই উঠি ক'লে, "নিদিব বুলিলেই হ'বনে ? ব'লাচোন ব'লা, ময়ো যাওঁ আৰু সি কিমানৰ কি চাওঁ। তাৰ কেইটা মূৰ আৰু কেনেকৈ' ৰঙালাওইটা ঘূৰাই নিদিয়ে—ব'লা তাৰ হিচাপ লবলৈ যাওঁ।"

কিন্তু ভৰৰ কথাৰ উত্তৰত লুভীয়াই ক'লে যে বাকী ৰঙালাও দহটা নাপায়-মানে সি ঘোঁৰাও নিদিয়ে আৰু ৰঙালাও-কেইটাও ঘূৰাই নিদিয়ে।



"ঠিক আছে—" নোমটেঙৰ নৰই লুভীয়াক ক'লে, "তোমাৰ ঘোঁৰাটোকে আগতে জুখি-মাখি চাওঁচোন।"

"জুখি-মাখি চাবা ? চোৰাচুইৰ কি আছে ? দিম বুলিছোঁ দিমেই ঘোঁৰা।" লুভীয়াই ক'লে।

"তেনেকৈ ক'লে নহৈছে হেৰি। সকলো কথাৰ এটা জোখ আছে, আছে মাখ।" এই বুলি কৈ, নোমটেঙৰ নৰই এডাল ফিতাৰে ঘোঁৰাটোৰ পিঠিৰ জোখ লৈ থাকোঁতে ভৰক ক'লে, "যিমানেই কমকৈ নালাগক—পিঠিত বহাৰ বাবে এইখিনি ঠাই তোমাক লাগিবই। ঘোঁৰাৰ পিঠিত তুমি, তোমাৰ পিঠিত—হেৰি কি বোলেনে—তোমাৰ কাষত মই। আৰু মোৰ গাতে গা লগাই বহিব মোৰ তাই। তাই অলপ গাদহী, মোতকৈ দুগুণ ঠাই লাগিব। আৰু তাইৰ কাষত তোমাৰ তেওঁ আৰু পাছত তোমাৰ ছোৱালীজনী। অৱশ্যে—কোলাৰ কেঁচুৱাটোক ছোৱালী জনীয়েই কোলাত লৈ বহিব পাৰিব।"

নৰই আকৌ কিবা ক'বলৈ মুখখন মেলাৰ লগে লগে লুভীয়াই লপলপ কৰে কৈ উঠিল, "তোমালোকৰ বাৰু মাথা খাৰাপ হ'লনে কি ? এটা ঘোঁৰাই ইমান মানুহক কেনেকৈ' কঢ়িয়াবনো ?"

"সেই কথা তুমি ভাবিব নালাগে নহয়? সেই কথা আমি ভাবিম আৰু ঘোঁৰাই ভাবিব। পাৰিবনে নোৱাৰিব, সেয়া ঘোঁৰাৰ সমস্যা, তোমাৰ নহয়। তোমাৰ পিঠিত মুঠোঁ নহয়—? আমি ঘোঁৰাত উঠি তীৰ্থলৈ ওলামী।" নোমটেঙৰ নৰই চাফ চাফকৈ কৈ দিলে।

"তেনেহ'লে—তোমালোক ইম্‌মানমখাই এটা ঘোঁৰাত উঠি ওলাবাই?"

"ওঁ, ওলাম তো? কষ্ট অলপ হ'ব, পিছে — চলি যাব, বৰ, বেছি কষ্ট নহ'ব।" নৰই ক'লে।

"আগতীয়াকৈ কৈ ভালেই কৰিলা।— মই ঘোঁৰাটোক ভাৰালৈ নিদিওঁ।" লুভীয়াই কৈ দিলে, "তোমালোকে মোৰ ঘোঁৰাটোক মাৰি পেলাবা যেন পাইছোঁ।"

"শুনা, এতিয়া যদি ওলোটা গীত জুৰিছা, তোমাক হাকিমৰ ওচৰলৈ লৈ যাম কৈ থ'লোঁ।" নৰই লুভীয়াক ক'লে।

"শুনা, মিছামিছিকৈ সেইবোৰ কৰিব নালাগে। বাঘে ছুলে ওঠৰ ঘা, দাৰোগাই ছুলে ছয়ত্ৰিছ, মুঙ্খুপে ছুলে বাসত্তৰ ঘা, হাকিমে ছুলে চাৰিশ বিছ! দৰকাৰ নাই সেইবোৰত। তোমালোকে ৰঙালাওকেটা লৈ যোৱা আৰু আৰু ৰা-বা নকৰি মোক ৰেহাই দিয়া।" লুভীয়াই ক'লে আৰু ৰঙালাও পাঁচোটা আনি দিলে।

তেতিয়া নোমটেঙৰ নৰই ভুৰু কোঁচাই ক'লে, "পাঁচটা দিলেনো কেনেকৈ হ'ব? পোন্ধৰটা ৰঙালাওৰ সলনি ঘোঁৰাটো ভাৰালৈ দিয়াৰ কথা আছিল। এতিয়া— ঘোঁৰাটো যদি ভাৰালৈ নিদিয়াই, পোন্ধৰটা ৰঙালাও দিবই লাগিব।"

এইদৰে পাকত পৰিব বুলি লুভীয়াই কল্পনাও কৰিব পৰা নাছিল। সি বাধ্যত পৰি হাটৰপৰা আৰু দহটা ৰঙালাও কিনি আনি, পোন্ধৰটা ৰঙালাও দিহে নেগুৰকটা নৰক বিদায় কৰিব পাৰিলে।



উপকাৰ-প্ৰত্যুপকাৰ

৭

অপাৰ বিস্ময়ৰে গাঁৱৰ ৰাইজে পৰস্পৰৰ মুখলৈ চালে, আৰু অলপ সময় তভক খাই ৰৈ থকাৰ অন্তত অচিনাকি যুৱক আৰু জয়িতাক তন্ন তন্নকৈ বিচাৰিবলৈ ধৰিলে। বহুতো পৰলৈকে বিচাৰিও যেতিয়া সিহঁতহালৰ চিন-মোকাম নোপোৱা হ'ল, তেতিয়া ৰাইজে কোৱাকুই কৰি থাকিল ঃ অচিনাকি বিদেশী যে ভগৱানেই —সেই কথাত আৰু সন্দেহৰ থল নাই। নহ'লেনো মানুহজনীৰে সৈতে কফূৰৰদৰে উৰি যাব পাৰেনে?

তাৰ পাছত জয় আৰু বিজয়ৰ সম্পৰ্কেও ৰাইজে সিদ্ধান্ত ল'লে। ৰাইজৰ হৈ এজনে বিজয়ক ক'লে, "অহা দহ বছৰৰ ভিতৰত যদি তোমালোকৰ দুটাৰ এটাকো আমাৰ গাঁৱত দেখা পাওঁ, পোনেই বৌ বৌ নৰকলৈ পঠাইহে এৰিম।"

ৰাইজৰ কথা শুনিয়েই জয়-বিজয়ে নেগুৰছিগা লৰ দি সেই গাঁও এৰি পলাল।

*

ইপিনে সুড়ংগৰ মাজেদি অচিনাকি যুৱক আৰু জয়িতা নিৰুদ্বেগে গৈ থাকিল। যুৱকে জয়িতাক সুধিলে, "ৰাজপ্ৰাসাদ পোৱাৰ পাছত আমাৰ কৰ্তব্য কি হ'ব?"

জয়িতাই ক'লে, "মই যে ইমানদিন ধৰি আমাৰ প্ৰাসাদত নাই, তাৰ কাৰণে নিশ্চয় কোনোবা-কুমুখিয়ে কিবাকিবি ৰটিলে। কোনোবা তান্ত্ৰিকে মোক পলুৱাই লৈ গ'ল—বা এনেবিধৰে কিবা প্ৰচাৰ হ'ল নিশ্চয়। ময়ো সেই কথাকে

ক'ম। ক'ম যে তান্ত্রিক এটাই মোক ধৰি লৈ গৈছিল আৰু এওঁ—মানে—তুমি মোক তান্ত্রিকৰ কবলৰপৰা উদ্ধাৰ কৰিলা। তেতিয়া দেউতাই নিশ্চয় তোমাৰ সৈতে মোৰ বিয়া নাপাতি নাথাকিব।"

"কিন্তু—" যুৱকে অতি চিন্তান্বিতভাৱে ক'লে, "এইবোৰ—কৰাটো—ঠিক হ'বনে? অন্যায় নহ'বনে? কৌশল কৰি এজন প্ৰহৰীক বিয়া কৰাবা বুলি কৈছিলা দেখোন। সেই প্ৰহৰীজনৰ নামো আছিল জয়। নহয়নে বাৰু?"

জয়িতাই ক'লে, "চোৱা, তোমাক ইয়াত দেখাৰ আগলৈকে মই সেই প্ৰহৰীজনকে বিয়া কৰোৱাটোকে স্থিৰ কৰিছিলোঁ, সঁচা। কিয়নো, সেই প্ৰহৰীজনে মোক যমৰ মুখৰপৰা কাটি আনিছিল। কিন্তু—তাক মই ভাল তো পোৱা নাছিলোঁ! সঁচা কৈছোঁ, ভাল তোমাকহে পাইছোঁ।"

অচিনাকি যুৱকে তথাপি ক'লে, "কিন্তু সেই বেচাৰাই চাগৈ তোমাৰ বাট চাই ৰৈ আছে! তাক বঞ্চিত কৰাটো অতি অন্যায় কথা হ'ব।"

জয়িতাই এইবোৰ মেৰ-পাক লগা কথা শুনি মুঠেই ভাল নাপালে। তাই যুৱকক স্পষ্টকৈ সুধিলে, "তুমি মোক বিয়া কৰাবলৈ ইচ্ছুক নোহোৱানে কি? স্পষ্টকৈ কৈ দিয়া মোক।"

"ইচ্ছুক নহ'ম কেলেই। কিন্তু ইচ্ছা হ'ল বুলিয়েই জানি-বুজি যিকোনো কাম অন্যায়ে-সন্যায়ে কৰিব নোৱাৰি নহয়? মই নিজৰ স্বাৰ্থত যিমানেই বেছিকৈ তোমাৰ কথা ভাবি থাকিলোঁ, মোৰ শক্তিও সিমানেই দ্ৰুতগতিৰে হ্ৰাস পাবলৈ ধৰিলে। মোৰ প্ৰতি মোৰ গুৰুৰ নিৰ্দেশ আছিল: আনকি অপকাৰীকো উপকাৰ কৰিবা। এতিয়া—জয়ক তাৰ ন্যায্য প্ৰাপ্যৰপৰা বঞ্চিত কৰাটো উচিত হ'বনে? তাৰ প্ৰতি অন্যায় অবিচাৰ কৰা নহ'বনে?"

জয়িতাই জয়ক প্ৰাসাদলৈ মতাই

অনাই এই জটিল পৰিস্থিতিৰ কথা লুকঢাক নকৰাকৈয়েই ক'লে। আৰু পাছত অচিনাকি যুৱকৰ কক্ষত সোমাই তাকো ক'লেগৈ, "মই আকৌ কিবা বাতৰি নপঠোৱালৈকে সুড়ংগৰ ভিতৰতে বৈ থাকিবা। বাতৰি পালেহে আহিবা।"

*

তাৰ পাছত জয়িতাই তাইৰ শোৱনি-কোঠাত সোমাই টিলিঙা এটা বজাই দিলে আৰু মুহূৰ্ত্ততে দহজনী লিগিৰী তাত সোমাই আহিল। প্ৰায় লগে লগে ৰজা আৰু ৰাণী কান্তিমতী কক্ষত সোমাই আহিল আৰু কান্তিমতীয়ে জয়িতাক আঁকোৱালি লৈ ক'লে, "আই মোৰ, ইমানদিন ক'তনো আছিলিগৈ?"

"মা, এইবোৰ ক'বলৈ হ'লে বহু সময়ৰ আৱশ্যক হ'ব। গতিকে পাছত ক'ম। মই এতিয়াই আমাৰ অন্তেষপুৰৰ আটাইবোৰ প্ৰহৰীক চাবলৈ বিচাৰোঁ।" জয়িতাই ক'লে।

জীয়েকৰ কথা শুনি ৰজাই বুজি পালে যে আটাইবোৰ প্ৰহৰীক মতাই অনোৱাৰ নিশ্চয় কিবা কাৰণ থাকিব পায়। ৰজাৰ আদেশত অনতিপলমে সকলো প্ৰহৰী তালৈ আহিল; কেৱল নাহিল জয়।

জয়িতাই ক'লে, "দেউতা, আমাৰ প্ৰহৰীহঁতৰ মাজত জয় নামৰ এজন নাছিলনে? জয় ক'ত আছে?"

ৰাজকুঁৱৰী জয়িতাৰ প্ৰশ্নৰ উত্তৰত প্ৰহৰীহঁতৰ চৰ্দাৰে ক'লে, "ৰাজকুঁৱৰী, জয় তাৰ বিবাহৰ কাৰণে চাৰিদিনৰ বাবে ছুটি লৈ গুচি গৈছে। কালিলৈ জয়ে পুনৰ কামত যোগদান কৰিবহি।"

এই কথা শুনি জয়িতাৰ মন আনন্দৰে পূৰ্ণ হ'ল; কিন্তু মুখত সেই ভাৱ প্ৰকাশ নকৰি হাঁমিয়াই ক'লে, "মই এতিয়া শুম, মোৰ বৰ ভাগৰ লাগিছে।"

লগে লগে কক্ষৰপৰা সকলোটি ওলাই গ'ল। আৰু জয়িতাই সুড়ংগৰ ভিতৰত

ৰৈ থকা অচিনাকি যুৱকক ইংগিতেৰে মাতিলে। যুৱক সুড়ংগৰপৰা ওলাই আহিল আৰু জয়িতাই সকলো কথা তাক কোৱাৰ অন্তত সুধিলে, "জয়ৰ বিবাহ যেতিয়া স্থিৰ হৈ গ'ল, তেতিয়া মোক বিবাহ কৰাত তোমাৰ আৰু কিবা আপত্তি আছেনে?"

"তথাপি—জয়ৰপৰা সন্মতি গ্ৰহণ কৰা আৱশ্যক বুলি মই ভাবোঁ।" যুৱকে তলমূৰ হৈ জয়িতাক ক'লে।

জয়িতাই যুৱকক পুনৰ সুড়ংগত ৰৈ থাকিবলৈ কৈ জয়ক সুধিলেগৈ, "জয়, তুমি বোলে বিয়া সোমাইছা? এই কথাটো বাৰু সঁচানে?"

"সঁচা, ৰাজকুঁৱৰী, সাঁচে-কাটে সঁচা। অতীতত মই আপোনাক বিয়া কৰাবলৈ ইচ্ছুক হৈছিলোঁ হয়; কিন্তু সেয়া আছিল বাওনাই জোনবাইক ঢুকি পোৱাৰ লেখীয়া কথা।"

পাছদিনা অচিনাকি যুৱকক জয়িতাই ক'লেগৈ জয়ৰ কথা। আৰু তাৰ পাছত ক'লে, "এতিয়া আৰু জয়ৰ অনুমতি-সন্মতিৰ প্ৰশ্ন নুঠিব নিশ্চয়। এতিয়া মোক বিয়া কৰাবা?"

এইবাৰ অচিনাকি যুৱকে সানন্দে জয়িতাক বিয়া কৰাবলৈ সন্মত হ'ল।

আৰু জয়িতাই তৎক্ষণাৎ যুৱকক তাইৰ দেউতাকৰ অৰ্থাৎ ৰজাৰ ওচৰলৈ লৈ গ'ল আৰু ক'লে, "দেউতা, মই এদিন সুড়ংগৰ মাজেদি গৈ গৈ অটব্য অৰণ্য পাইছিলোঁগৈ, আৰু এটা ভয়ংকৰ তান্ত্ৰিকে তাৰপৰা মোক অপহৰণ কৰি লৈ গ'ল! তাৰ পাছত—বহু কষ্টেৰে, বহু চেষ্টাত, বহু যুদ্ধ কৰি এওঁ—এই বীৰ যুৱকে মোক সেই তান্ত্ৰিকৰ কবলৰপৰা উদ্ধাৰ কৰি আনিলে।"

ৰজাই অচিনাকি যুৱকৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰি ক'লে, "জয়িতাৰ কাৰণে তুমি যে অসাধাৰণ কাম কৰিলা, তাৰ ঋণ,

আনকি মোৰ ক্ষুদ্ৰ ৰাজত্ব পৰিপূৰ্ণকৈ অৰ্পণ কৰিলেও পৰিশোধ নহ'ব। যি কি নহওক, তোমাৰ যদি আপত্তি নাই, মই তোমাৰ দৰে যোগ্য বীৰৰ হাতত আমাৰ মৰমৰ জয়িতাক অৰ্পিবলৈ বিচাৰোঁ, আৰু লগতে মোৰ ৰাজত্বৰো অৰ্ধাংশ তোমাৰ অপৰিসীম সাহসৰ শলাগ লৈ উপহাৰ হিচাপে দিবলৈ বিচাৰোঁ।"

ৰজাৰ কথাৰ উত্তৰত যুৱকে ক'লে, "আনকি অপকাৰীকো উপকাৰ কৰিব লাগিব—এয়ে আছিল মোৰ গুৰুৰ নিৰ্দেশ। মই মোৰ ক্ষুদ্ৰ জীৱনত কিমান কি কৰিলোঁ—সেয়া ডাঙৰ কথা নহয়। ডাঙৰ কথা হ'ল জীৱনজোৰা মানৱধৰ্ম পালন। কথা দিছোঁ, এই ধৰ্ম মই ৰজা হোৱাৰ পাছতো সদায়েই পালন কৰি থাকিম।"

"সুন্দৰ! অতি সুন্দৰ এই মনোভাৱ!' ৰজাই অচিনাকি যুৱকৰ শলাগ লৈ ক'লে, "মোৰ ৰাজ্যত যে অজলাগাঁৰৰ দৰে গাঁও এখন আছিল, তাত যে দুটা প্ৰতাৰকে অলিখিত ৰাজত্ব কৰি আছিল, আৰু তুমি যে সেই গাঁৱৰ ৰাইজক ৰক্ষা কৰিছিলা—এই সকলো কথা-কাণ্ড এফালে দুখলগা আৰু আনফালে গৌৰৱজনক। দুখলগা—মোৰ কাৰণে, মই ৰজা হৈয়ো নিজ ৰাজত্বৰ এইবোৰ দুৰ্বলতাৰ কথা জনা নাছিলোঁ; আৰু গৌৰৱজনক তোমাৰ কাৰণে। এনেকৈয়েই, আগলৈকো, সহজ-সৰল প্ৰজাবৰ্গক প্ৰতাৰণা, অত্যাচাৰ, অবিচাৰৰ-পৰা ৰক্ষা কৰিবা, এই আশীৰ্বাদ কৰিছোঁ।"

জয়িতাই এই আচনাকি বিদেশী যুৱকক প্ৰাণাম কৰিলে আৰু ক'লে, "তোমাৰ নাম প্ৰজাৰ মংগলকাৰী হিচাপে জিলিকি থাকিলেহে মই মোৰ জীৱন সুখী হ'ল বুলি ভাবিম।"

তাৰ পাছত এদিন ৰাজকীয় সমাৰোহৰে যুৱকৰ সৈতে জয়িতাৰ বিবাহ আনন্দৰে সম্পাদিত হ'ল। [অন্ত]



বাৰ্ধক্যৰ দৰৱ

শতনন্দন আছিল বিলাসনগৰৰ ৰজা। এদিন দাপোণত তেওঁ নিজৰ মুখত শোটোৰা পৰা দেখা পাই ব্যথিত হৈ পৰিল। তেওঁ নিজক নিজে ক'লে: মই বুঢ়া হ'লোঁনে কি? আৰু এই ঘটনাৰ পাছৰপৰা তেওঁৰ দিবা-ৰাত্ৰিৰ চিন্তা হ'ল: বাৰ্ধক্যৰ এই সোঁতক যেনেতেনে ভেটা দিব লাগিবই।

ৰজা শতনন্দনে দেশৰ নামজলা বৈদ্য-ইঁতক মতাই অনালে। কলে: যৌৱন অটুট থকাৰ আৰু বাৰ্ধক্যকৰ ভেটা দিয়াৰ চিকিৎসা কৰক! কত বৈদ্যই কত ঔষধ দিলে, কিন্তু ৰজাৰ শোটোৰা পৰা মুখত যৌৱনৰ লা-লক্ষণ ফুটি নুঠিল; বৰঞ্চ শোটোৰা-শোটৰি আৰু বাঢ়িহে গ'ল। আৰু লগতে বাঢ়ি গ'ল চিন্তা-ব্যাধি, যি ব্যাধিৰ দৰব কোনোকালে কোনো ঠাইতো বিচাৰি পাবলৈ নাই, কোনেও আজিকোপতি বিচাৰি পোৱা নাই। কিন্তু আমাৰ এই শতনন্দন ৰজাক সেই ক'তো-কাহানিও বিচাৰি নোপোৱা দৰব লাগিবই লাগিব। নহ'লে নহ'ব।

ৰজা শতনন্দনৰ মহামন্ত্ৰীৰ নাম আছিল কৃষ্ণবন্দন। মহামন্ত্ৰী কৃষ্ণবন্দনে এদিন ৰজাক ক'লে, "মহাৰাজ ইমান কম বয়সতে বাৰ্ধক্যৰ চিন্তাত চিন্তিত হৈছে কিয়? যি কি নহওক, সুৱৰ্ণনগৰত মলয়জ নামৰ কবিৰাজ এজন আছে। গছ-পাত-শিপা-লতা আদিৰ বিষয়ে তেওঁৰ জ্ঞান হেনো সীমাহীন। যৌৱন অটুট থকাটোহে যদি আপোনাক লাগিছে, মহাৰাজ, কবিৰাজ মলয়জৰ ওচৰলৈ গৈ চাওক।"



শতনন্দনে তেওঁৰ মহামন্ত্ৰীক ক'লে, "সুৱৰ্ণনগৰৰ ৰজা সিংহবৰ্মা আমাৰ চিৰশত্ৰু। যদি মই তালৈ যদি যাওঁৱেই—কি হ'ব বুজি পাইছেই। চিকিৎসাও নহ'ব, যুদ্ধও লাগি পৰিব পাৰে।"

"আমি বণিজাৰৰ ভেশছন লৈ যাম তালৈ। তেতিয়া মলয়জ কবিৰাজে আপোনাক নিশ্চয় চিকিৎসা কৰিব।"

মহামন্ত্ৰীৰ পৰামৰ্শ অনুসাৰে ছদ্মবেশ ধাৰণ কৰি তেওঁলোক সুৱৰ্ণনগৰলৈ বুলি গৈ থাকিল। বাটত এজন বুঢ়া মানুহে আনন্দ মনেৰে গান গাই থকা দেখি ৰজাই আচৰিত মানিলে আৰু মহামন্ত্ৰীক ক'লে, "এই বুঢ়াইনো ইমান উলহৰ মাদলিটো হৈ গীত জুৰিছে কিয়? সি বুঢ়াৰ দেখোন সময়ে চমু চাপিছেই যেন লাগে। তথাপিনো তাৰ মনত ইমান ফূৰ্তিৰ জোৰাৰ বৈ আছে কেনেকৈ? মহামন্ত্ৰী! মোক আপুনি এই বুঢ়াৰ ইমান আনন্দৰ ৰহস্য বুজাই কওক।"

গীত গাই থকা বুঢ়াই ছদ্মবেশী বেপাৰীৰূপী ৰজাৰ পিনে পিৰিক-পাৰাককৈ চাই ক'লে, "মই বুঢ়া হৈছোঁ বুলি তুমি জানিলা কেনেকৈ? কথাটো বাৰু তোমাক কোনে ক'লে? নে তুমি নিজে বুঢ়া বুলি আনকো বুঢ়া যেন ভাবিছা!"

ৰজাই ভাবিলে: হাৰে বুঢ়া! বুঢ়া হৈয়ো বুঢ়া বুলি নাভাবিলেই বুঢ়া নহ'বিনে? মুখেৰে ক'লে, "তোমাৰ মুখখন দেখোন শোটোৰা পৰিছে। বুঢ়া হ'বলৈ আৰুনো তোমাক কি লাগিছে?"

"এ—! মুখৰ শোটোৰাৰ কথা কৈছা? সেই কথা সঁচা। কিন্তু—মোৰ যাঠি বছৰ বয়সতো দেখোন এনেকুৰা আছিল। সেয়া আজিৰ কথানে কিবা? সেয়া দেখোন চল্লিছ বছৰৰ আগৰ কথা! তেতিয়ালৈকো মাজে-মধ্যে দপোণত মুখখন চাইছিলোঁ। কিন্তু তাৰ পাছত আৰু দাপোণেই দেখা নাই, দাপোণ

কাক বোলে তাক মনতো নপৰা হ'ল।" বৃদ্ধই নির্বিকাৰভাৱে সেই ছদ্মবেশী ৰজাক ফটফটকৈ আঁখে ফুটাই ক'লে।

"তাৰ মানে—তোমাৰ বয়স এশ বছৰ! কি কোৱাঁহে! শতনন্দন ৰজাই আচৰিত হৈ ক'লে।

তেতিয়া ৰজাই বুঢ়াক নিজৰ চিনাকি দিলে আৰু তেওঁ যে কিয় স্বুৰর্ণনগৰলৈ গৈ আছে, তাকো ক'লে বৃদ্ধক।

ৰজাৰ কথা শুনি বুঢ়াই হাঁহিমুখেৰে ক'লে, "মহাৰাজ, কবিৰাজী চিকিৎসাৰ বাবে আপুনি স্বুৰর্ণনগৰলৈ নগ'লেও হ'ব। সেই দৰব ময়ো দিব পাৰোঁ।" এই বুলি কৈ, ৰজাক সেই বুঢ়াই অতি সৰু সৰুকৈ কিছুমান কথা ক'লে।

ৰজা শতনন্দনে বুঢ়াক এশ সোণৰ মুদ্ৰা দিবলৈ ধৰাত বুঢ়াই ক'লে, "মহাৰাজ, মই যে জীৱনতো কোনোবা ৰজাক দেখা পাম, কল্পনাও কৰা নাছিলোঁ। সোণৰ মুদ্ৰাৰে মই কি কৰিম? মুদ্ৰা নালাগে।"

তাৰ পাছত ৰজা শতনন্দন আৰু মহামন্ত্ৰী কৃষ্ণবন্দন ৰাজধানীলৈ উভতি গ'ল। সিদিনাৰেপৰাই ৰজাই উৎসাহেৰে সৈতে প্ৰচুৰ কাম-বন কৰি থাকিল। ৰজাৰ এই পৰিৱৰ্তনলৈ লক্ষ্য কৰি। মহামন্ত্ৰীয়ে সুধিলে, "মহাৰাজ, সেই বৃদ্ধই আপোনাক কাণে কাণে কি কৈছিল—মই সেই কথাবোৰ আপোনাক সুধিব পাৰোঁনে? আপোনাৰ এই বিপুল পৰিৱৰ্তনৰ হেতু কি ক'বনে?"

ৰজা শতনন্দনে ক'লে, "মহামন্ত্ৰী, বাৰ্ধক্যৰ চিন্তা নকৰাটোৱেই হ'ল বাৰ্ধক্যৰ সোঁতত ভেটা দিয়াৰ একমাত্ৰ উপায়। সদা-সৰ্বক্ষণ প্ৰফুল্লতাৰ মাজত ডুবি থাকিব পাৰিলে—দেহাৰ বয়স বাঢ়িলেও মনৰ বয়স কদাপি নাবাঢ়ে। উৎফুল্লতায়েই হ'ল বাৰ্ধক্যৰ বানত ভেটা। —বৃদ্ধই মোৰ কাণে কাণে এই কথাকে কৈ দিছিল।"

হৌ হৌ হৌলৰ
দক্ষিণ আমেৰিকাৰ হৌহৰ বান্দৰবিলাকে
অন্যান্য জন্তুতকৈ অধিক জোৰেৰে
মাতিব পাৰে। সিঁহতৰ জিভাত এটা পাতল হাড় থকাত সিঁহতৰ কণ্ঠস্বৰ অন্যান্য জন্তুতকৈ স্পষ্ট।

পনীয়া কথা
মহাবিপদত পৰিলেও
দীঘলডিঙীয়া জিৰাফে
পানীত সাঁতুৰিব নোৱাৰে।

ডাঙৰ ডাঙৰ ঘঁৰিয়ালবোৰে শিল গিলি খাব পাৰে। প্ৰবহমান পানীৰ মাজেদি বাগৰি বাগৰি
গৈ থকা শিলবোৰ ঘঁৰিয়ালবিলাকে অৱলীলাক্ৰমে গিলি পেলায়। আনকি ৪.৭৭ কিলোগ্ৰাম
ওজনৰ শিলো ইহঁতে গিলি খায় আৰু ইহঁতৰ পেটৰ ভিতৰত থকা শিলৰ টুকুৰাবোৰৰ ঘঁহনিৰ
ফলত হজমো হৈ যায়!
শিল-খোৰা ঘঁৰিয়াল

চুপাৰফাইটাৰ!
FOAMING
Forhan's
FLUORIDE
The toothpaste that tightens gums, fights cavities
তেওঁৰ বন্ধুগনে তেওঁক কয় "লিটিল মাষ্টাৰ" সমগ্ৰ জগতে ক্ৰিকেটৰ পৰম্পৰাত তেওঁক জানে চুপাৰব্যাটচমেন হিচাবে। কিন্তু সুনিল গাভাচকাৰে নিজে কয় "মই এজন চুপাৰফাইটাৰ, মই বিচাৰো মোৰ নবাটোও যাতে তেনে হয়। সেয়েহে মই সৰুৰ পৰাই শিকাইছো ফৰহান্স ফ্লোৰাইড টুথপেষ্টেৰে দাঁত মাজিবলৈ–দাঁতৰ ক্ষয় ৰোধৰ বাবে সচাকৈয়ে চুপাৰফাইটাৰ।"
দাঁতৰ ফাকত বৈ যোৱা খাদ্যকনাই ৰোগ-বীজাণু জন্মাই আৰু তাত বিগবিত এচিডে দাঁত ক্ষয় কৰে। ফৰহান্স চুপাৰফাইটাৰত আছে সক্ৰিয় ফ্লোৰাইড যি দাঁতৰ আলু মজবুটভাৱে সুৰক্ষিত কৰে। সেয়েহে ৰোগ বিজাণু জন্ম নহয় আৰু দাতৰো ক্ষয়ৰোগ নহয়। ফৰহ্যান্সৰ বিশেষ এচট্ৰিনজেণ্টয়ে আলু মজবুত কৰি ৰাখে। সেয়েহে দাঁতক দিয়ে মজবুত গাঠনি আৰু দীৰ্ঘায়ু কৰি ৰাখে।
সুনিলৰ ভাষাত "মই মোৰ ন'বাটোক দিছো ফৰহান্স কেয়াৰ।
আপুনি তাৰ বাবে কি কৰিছে?"
ফৰহান্স

GM-113/86 Ass

ফটো-নামকৰণ প্ৰতিযোগিতা :: পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৮ চনৰ জানুৱাৰি সংখ্যাত প্ৰকাশিত হ'ব

* ফটো-নামকৰণদুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৭ চনৰ নৱেম্বাৰ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ-নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।

ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)
POST BOX NO. 9116 CALCUTTA-700 016.**

১৯৮৭ চনৰ ছেপটেম্বাৰ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : **জীৰিকা** দ্বিতীয় ফটো : **মৰীচিকা**

পুৰস্কাৰ প্ৰাপক : **প্ৰশান্ত সোনোৱাল, চাবুৱা ৰেল কলোনি, চাবুৱা।**

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

চান্দমামা

ভাৰতত বছৰেকীয়া বৰঙণি ৩০'০০ টকা মাথোন

তলৰ ঠিকনালৈ পঠাব লাগিব :

**DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI.
MADRAS-600 026**

নাইবা

Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

'মেৰি'—২২ কেৰাটৰ সোণ-খতোৱা অলংকাৰৰ জগতত এক বিশ্বস্ত আৰু বিখ্যাত নাম। গুণত অনুপম! সৌন্দৰ্য্যত অপৰূপ!! গেৰাণ্টিযুক্ত, প্ৰত্যেকৰ ৰুচিসন্মত অতুলনীয় অলংকাৰ!

অৰ্ডাৰ পঠাওঁতে অলংকাৰৰ নম্বৰ উল্লেখ কৰিব। ডাক-মাচুল (ভি. পি.) অতিৰিক্ত। বিনামূলীয়া কেটালগৰ বাবে লিখি পঠাওক।



MERI GOLD COVERING WORKS

P.O. BOX: 1405, 14, RANGANATHAN STREET,
T. NAGAR, MADRAS-600 017, INDIA.



CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 12 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026


Treat yourself to something special!
Big BON-BONs from nutrine
Tasty, creamy, fruity delights
In four delicious flavours
nutrine BON BON
MILK CREAM
LEMON COCONUT
FRUITY • CHOCOMINT
GREAT NEW BON BONS
from nutrine,
naturally!
nutrine
BON BON
nutrine India's largest selling sweets
Nutrine Confectionery Company Private Limited, Chittoor, A.P.
CLARION/NC/8571